# প্ৰথম অধ্যায়
# ১.০০ স্নেহ দেৱী আৰু অসমীয়া চুটিগল্প

## ১.০০ স্নেহ দেৱী আৰু অসমীয়া চুটিগল্প

অসমীয়া সাহিত্যত স্নেহ দেৱী ৰামধেনু যুগৰ এগৰাকী মহিলা গল্পকাৰ। অসমীয়া সাহিত্য জগতত যিটো সময়ত তেখেতে আত্ম প্ৰকাশ কৰিছিল সেইখিনি সময়ত মহিলা গল্পকাৰৰ বিশেষ অৰিহণা দেখা নাযায়। গল্প ৰচনাৰ মাধ্যমেৰে ৰামধেনু যুগটোক প্ৰতিনিধিত্ব কৰা স্নেহদেৱীৰ পৰিচয়ৰ বাবে এই অধ্যয়টো প্ৰস্তুত কৰা হ'ল।

কুৰি শতিকাৰ আৰম্ভণিতে অসমীয়া সাহিত্যত মহিলা লেখিকা একেবাৰে নগণ্য আছিল। অসমত তেতিয়ালৈকে মুক্তভাবে স্ত্ৰী শিক্ষাৰ প্ৰসাৰৰ অভাবেই তাৰ মূল কাৰণ। সেই সময়ত চৈধ্য-পোন্ধৰ বছৰ বয়স হ'লেই ছোৱালীক বিয়া দিয়া হৈছিল। গান্ধীজীয়ে জনসাধাৰণক শিক্ষাৰ প্ৰতি বিশেষকৈ স্ত্ৰী শিক্ষাৰ প্ৰতি মনোযোগ দিবলৈ অনুৰোধ কৰাৰ পিছতহে লাহে লাহে স্ত্ৰী শিক্ষাৰ কিছু প্ৰসাৰ হ'বলৈ ধৰিলে। স্নেহ দেৱীয়ে সাহিত্য জগতত প্ৰৱেশ কৰাৰ আগলৈকে মহিলা লেখিকাৰ সংখ্যা তেনেই নগণ্য আছিল। প্ৰথমগৰাকী মহিলা গল্পকাৰ  সুধা বৰুৱা (১৯০৮) ই *'মিলন'* আলোচনীৰ  যোগেদি অসমীয়া সাহিত্য জগতত প্ৰবেশ কৰে। পৰৱৰ্তী কালত চছামে মূৰজাহান বেগম, অলকা পটংগীয়া, পদ্ম কুমাৰী বৰগোহাঁই, সুপ্ৰভা গোস্বামী, ফুল শইকীয়া, মেৰিনা বেগম, প্ৰণীতা দেৱী আদিয়ে গোটাচেৰেক গল্প লিখি অসমীয়া সাহিত্যলৈ অৰদান আগবঢ়ায়। বিংশ শতিকাৰ দ্বিতীয় দশকত আত্মপ্ৰকাশ কৰা স্নেহ দেৱীৰ অৱদান অসমীয়া মহিলা গল্পকাৰৰ ইতিহাসত বিশেষভাবে গুৰুত্বপূৰ্ণ বুলি বিবেচিত হয়।

স্নেহ দেৱীয়ে সাহিত্যিক জীৱনৰ পাতনি মেলে (১৯৫২) প্ৰেমধৰ ৰাজখোৱা সম্পাদিত *'সৌমাৰ জ্যোতি'*ৰ জৰিয়তে। তাত তেখেতৰ *'প্ৰয়োজন'* নামৰ কবিতাটি প্ৰকাশ পায়। অসমীয়া সাহিত্য জগতত তেখেতৰ অৱদান সম্পৰ্কে জানিব পাৰি যে -

> '১৯৫৩ চনৰ পৰা ৰামধেনুত গল্প লিখিবলৈ আৰম্ভ কৰা স্নেহ দেৱীৰ প্ৰথমটো গল্প *জোৱাৰৰ পিছত* আলোচনীখনৰ ষষ্ঠ বছৰৰ সংখ্যাত প্ৰকাশ পায়।'[১]

স্নেহ দেৱীয়ে বিভিন্ন আলোচনী, বাতৰি কাকত, গল্প সংকলন আদিত পাঁচশৰো অধিক গল্প লিখি অসমীয়া সাহিত্য জগতলৈ এক বিশেষ বৰঙণি আগবঢ়াইছে। স্নেহ দেৱীৰ সাহিত্যকৃতি চাৰিখন গল্পপুথিৰ যোগেদি ল'ব পাৰি। সেইকেইখন হ'ল— *'কৃষ্ণা দ্বিতীয়াৰ জোনাক'* (১৯৫৮), *'স্নেহ*

*দেৱীৰ গল্প'*(১৯৬৬), *'স্নেহ দেৱীৰ শ্ৰেষ্ঠ গল্প'*(১৯৮১) আৰু *'স্নেহ দেৱীৰ একুঁকি গল্প'*(১৯৮৮)। এইকেইখন হৈছে তেখেতৰ গল্প সাহিত্যৰ প্ৰতি অনবদ্য অৱদান। *'স্নেহ দেৱীৰ একুঁকি গল্প'* সংকলনৰ বাবে তেখেতে ১৯৯০ চনত সাহিত্য অকাডেমী বঁটা লাভ কৰে।

স্নেহ দেৱীয়ে গল্পৰ সমলবোৰ দৈনন্দিন জীৱনত দেখি অহা সৰু-বৰ ঘটনাৰ পৰাই সংগ্ৰহ কৰিছিল। তেখেতে গল্পবিলাকৰ মাজেৰে মানুহৰ পাৰিবাৰিক জীৱন তথা সামাজিক জীৱনৰ কিছুমান বিশেষ ঘটনা পৰ্যবেক্ষণ কৰি সেইবোৰত আলোকপাত কৰিছে। সত্যেন্দ্ৰ নাথ শৰ্মাই স্নেহ দেৱীৰ গল্প সম্পৰ্কে মন্তব্য কৰিছে যে—

> স্নেহ দেৱীৰ ৰচনা সংযম আৰু দৃষ্টিভংগী কিছু পৰিমাণে ৰক্ষণশীল। ঘৰুৱা জীৱনৰ খুটি-নাটিৰে এওঁৰ গল্প উজ্জ্বল। এওঁৰ ৰচনাত প্ৰেমৰ বিভিন্ন দিশৰ আকৰ্ষণীয় প্ৰকাশ ঘটিছে, যদিও জীৱনৰ অভিব্যক্তি কেৱল প্ৰেমতে সীমিত নহয়।[২]

স্নেহ দেৱীয়ে গতানুগতিক বিষয়বস্তুক উপজীব্য কৰিয়েই গল্প লিখিছিল। সদায় লগ পোৱা মানুহবোৰৰ সুখ-দুখ, আশা-নিৰাশা, প্ৰেম-বিৰহ ইত্যাদি তেওঁৰ গল্পত চিত্ৰিত হৈছে। সামান্য সৰু-বৰ ঘটনাবোৰক গল্পৰ মাজেদি নিখুঁতভাবে অংকন কৰিবলৈ প্ৰয়াস কৰিছে। তেওঁ বিষয়বস্তুৰ মাজেৰে কোনো নতুনত্বৰ সন্ধান দিব নোৱাৰিলেও মনোৰম বৰ্ণনা ভংগীৰে স্বকীয়তাৰ পৰিচয় দিবলৈ সক্ষম হৈছে।

মুঠতে অসমীয়া চুটিগল্পত যিসকল গল্পকাৰে নাৰীৰ সামগ্ৰিক স্বৰূপ উদঙাই দেখুৱাবলৈ প্ৰয়াস কৰিছিল, সেইসকল গল্পকাৰৰ ভিতৰত অন্যতম লেখিকা হ'ল স্নেহ দেৱী। স্নেহ দেৱীয়ে নাৰীৰ মনস্তত্ত্ব বিশ্লেষণত পাৰদৰ্শিতা দেখুৱাইছে। তেখেতে নাৰীৰ মনৰ ভিতৰত প্ৰৱেশ কৰি বিভিন্ন ৰহস্য উদ্‌ঘাটন কৰি অন্ধকাৰ দিশসমূহত পোহৰ পেলাবলৈ যত্ন কৰিছে।


## ১.০১ স্নেহ দেৱীৰ জীৱন

বৈচিত্ৰময় জীৱন পৰিক্ৰমাৰে ভৰা স্নেহদেৱী অসমীয়া সাহিত্যত গল্পকাৰ হিচাপে প্ৰতিষ্ঠিত। বিভিন্ন ঘাত-প্ৰতিঘাতেৰে পৰিপূৰ্ণ জীৱন কালত কলম হাতত তুলি লৈ জীৱনটোক ভৰাই তোলাৰ প্ৰয়াস কৰিছিল। সেই প্ৰচেষ্টাৰ ফলস্বৰূপে অসমীয়া সাহিত্য জগতৰ এখনি আসন পাবলৈ সক্ষম হৈছিল। সেই বাবেই এই উপ-অধ্যায়টোত তেওঁৰ বৈচিত্ৰময় জীৱনৰ ওপৰত আলোকপাত কৰিবলৈ প্ৰয়াস কৰা হ'ল।

স্নেহ দেৰীৰ জন্ম হয় ১৯১৬ চনৰ আগষ্ট মাহত যোৰহাটৰ ৰজামৈদামত। তেখেতৰ পিতৃ নন্দধৰ বৰুৱা আৰু মাতৃ কিৰণময়ী দেৱী। তেখেত এক সংস্কৃতিৱান পৰিয়ালত জন্মগ্ৰহণ কৰিছিল। সাহিত্য ৰত্ন চন্দ্ৰধৰ বৰুৱা আৰু নন্দধৰ বৰুৱা একে ভাতৃ আছিল। আনহাতে মাতৃ কিৰণময়ী আছিল গুৱাহাটীৰ লক্ষ্মীনাথ ফুকনৰ দ্বিতীয়া কন্যা। স্নেহদেৱীহঁতৰ মুঠ সাতজন ভাই-ভনী আছিল। সাত ভাই-ভনীৰ ভিতৰত স্নেহ দেৱী আছিল পঞ্চম সন্তান।

**স্নেহ দেৱীৰ বংশ পৰিচয়**

স্নেহ দেৱীৰ বংশলতাৰ আভাস তলত দাঙি ধৰা হ'ল—




স্নেহ দেৱীৰ পিতৃয়ে শ্বিলঙৰ বিধানসভাত অনুবাদক হিচাপে কিছুদিন কৰ্মৰত আছিল যদিও পিছলৈ কেইবাখনো হাইস্কুলত শিক্ষকতা কৰিছিল। অৱসৰ গ্ৰহণৰ পিছত তেওঁ যোৰহাটৰ ৰজামৈদামত স্থায়ীভাবে থাকিবলৈ লৈছিল। অৱসৰ গ্ৰহণৰ পিছতো 'মান্না এণ্ড কোম্পানী' আৰু 'দৰ্পণ' নামৰ ছপাশালৰ মেনেজাৰৰূপে কাৰ্যনিৰ্বাহ কৰিছিল।

স্নেহ দেৱী এক শিক্ষিত পৰিয়ালত জন্মগ্ৰহণ কৰিছিল। তেখেতৰ ককায়েক বীৰেন্দ্ৰ নাথ বৰুৱা ইংলেণ্ডত ইঞ্জিনীয়াৰিং ডিগ্ৰী লৈ মুম্বাইত চাকৰি কৰিছিল। তাতেই তেওঁৰ দেহাবসান ঘটে। স্নেহ দেৱীৰ আন এজন ককায়েক হৰেন্দ্ৰ নাথ বৰুৱা এগৰাকী খ্যাতিসম্পন্ন শিল্পী আছিল। স্নেহ দেৱীৰ সৰু ভাতৃ মুনীন বৰুৱা চিকিৎসক আছিল যদিও অভিনেতা হিচাপেহে খ্যাতি লাভ কৰিছিল।

তেওঁ অসমীয়া কথাছবি *ৰঙা পুলিচ, যোগ বিয়োগ* আদিত অভিনয় কৰি খ্যাতি অৰ্জন কৰিছিল। স্নেহ দেৱীৰ দুগৰাকী বায়েক ক্ৰমে— স্বৰ্ণময়ী দেৱী আৰু সুবৰ্ণময়ী দেৱী আৰু সৰু ভগ্নী পুণ্য দেৱীক তদানীন্তন ব্ৰাহ্মণ সমাজৰ ৰীতি অনুসৰি উপযুক্ত দৰাৰ সৈতে বিৱাহ দিছিল।

নৈষ্ঠিক ঠাকুৰ পৰিয়ালৰ বংশধৰ স্নেহ দেৱীৰ পিতৃৰ প্ৰকৃত ঘৰ আছিল দেৰগাঁৱত। পিছতহে তেওঁলোকে যোৰহাটৰ ৰজামৈদামত বসতি কৰিবলৈ লৈছিল। তেখেতৰ মাতৃ কিৰণময়ী দেৱী এগৰাকী নিষ্ঠাৱান সু-গৃহিণী, শিপিনী আৰু ৰান্ধনি আছিল। তেখেতৰ মোমায়েক মহেন্দ্ৰ নাথ ডেকা ফুকন এগৰাকী জাতীয়তাবাদী নেতাৰ উপৰিও ভাল চিত্ৰশিল্পীও আছিল। ১৯০১ চনত স্থাপিত হোৱা কটন কলেজৰ প্ৰতীকচিহ্ন তেৱেঁই অংকন কৰিছিল। তেওঁ কবি আৰু গীতিকাৰো আছিল। তেখেতৰ আন এগৰাকী মোমায়েক শৈলেন্দ্ৰ নাথ ডেকা-ফুকন আৰু মাহীয়েক কমলিনী বৰবৰা এগৰাকী সু-সাহিত্যিকৰূপে সকলোৰে পৰিচিত আছিল।

আনুষ্ঠানিক শিক্ষা বুলিবলৈ মাত্ৰ পঞ্চম শ্ৰেণীলৈকেহে স্নেহ দেৱীয়ে পঢ়িব পাৰিছিল। কাৰণ তেতিয়াৰ ব্ৰাহ্মণ সমাজৰ নিয়মমতে অপুষ্পিতা অৱস্থাতে বিয়া দিয়া নিয়ম আছিল। তেতিয়াৰ সমাজত সেয়া ‘আগ বিয়া’ বুলি আখ্যা দিয়া হৈছিল। সেই পৰম্পৰা অনুসৰিয়েই ডিব্ৰুগড়ৰ আমোলাপট্টিৰ ডাক্তৰ দীনেশ চন্দ্ৰ বৰুৱাৰ সৈতে ১৯২৮ চনৰ এপ্ৰিল মাহত ১২ বছৰ বয়সত বিবাহ সম্পন্ন হয়। পিছত ১৯৩১ চনৰ ফেব্ৰুৱাৰী মাহত ১৫ বছৰ বয়সত পুষ্পিতা হোৱাৰ পিছত স্নেহ দেৱীৰ ‘পাছ বিয়া’ হয় আৰু শহুৰেকৰ ঘৰলৈ গৈ নতুন জীৱনৰ পাতনি মেলে।

পিতৃ-মাতৃৰ একমাত্ৰ সন্তান ডাঃ দীনেশ চন্দ্ৰ বৰুৱাই প্ৰথমতে নাহৰকটীয়াৰ জয়পুৰৰ চিকিৎসালয়ৰ চিকিৎসক হিচাপে কৰ্মজীৱন আৰম্ভ কৰিছিল। ডাঃ বৰুৱা এজন সৎ স্বভাৱৰ সহজ-সৰল মনৰ মানুহ আছিল। সেয়ে বৈবাহিক জীৱন অতিকৈ সুখকৰ আছিল। চাকৰিসূত্ৰে স্বামীৰ লগত জয়পুৰতে কটাইছিল। স্বামীয়ে তেখেতক যথেষ্ট মৰম-স্নেহ, সহায়-সহযোগিতা কৰিছিল। কৰ্মব্যস্ত স্বামীয়ে অধিক সময় বাহিৰত কটাবলগীয়া হোৱা বাবে বিভিন্ন আলোচনী, বাতৰিকাকত, গল্প, উপন্যাসৰ পুথি আদি যোগান ধৰিছিল। সেইবাবেই হয়তো তেখেতৰ মনটো সাহিত্যৰ প্ৰতি আকৃষ্ট হৈছিল আৰু সাহিত্য ৰচনাৰ ইন্ধন পাইছিল। তদুপৰি ডাক্তৰ স্বামীৰ কাষলৈ অহা বিভিন্নজন ৰোগীৰ মানসিক জগতখনৰ খবৰবোৰেও স্নেহ দেৱীক সাহিত্য ৰচনাৰ প্ৰতি ইন্ধন যোগাইছিল। স্বামীৰ লগত ভাৰতৰ বিভিন্ন তীৰ্থস্থান দৰ্শন কৰাৰ সুযোগো পাইছিল। কাশী, বৃন্দাবন, পুৰী আদি স্বামীৰ স'তেই দৰ্শন কৰিছিল। ৰন্ধা-বঢ়া, বোৱা-কটা, ঘৰুৱা কাম-কাজ আদিতো পাৰ্গত আছিল। স্বামীৰ ডাক্তৰী কামতো সহায় কৰি দিছিল। ৰোগীক দৰব দিয়া, দৰবৰ মিশ্ৰণ প্ৰস্তুত কৰি দিয়া,

দৰব খোৱাৰ নিয়মবোৰ কৈ দিয়া আদি কামবোৰ প্ৰায় তেখেতেই কৰিছিল। তদুপৰি বাগিচা সজোৱা, শাক-পাচলিৰ খেতি কৰা আদি কামবোৰো কৰি ভাল পাইছিল। তাঁত বোৱা, তামোলৰ ঢকুৱাৰ বিচনি সজোৱা আদি কামবোৰো কৰিছিল। নিজে ৰান্ধি-বাঢ়ি পৰিয়ালৰ সকলোকে খুৱাই সন্তুষ্টি লভিছিল। ঘৰখনক সুন্দৰকৈ আটোম-টোকাৰিকৈ ৰখাৰ পিছত হাৰিকেন লেম্পৰ পোহৰত ৰাতি দোভাগলৈ উজাগৰে থাকি তেখেত সাহিত্যৰ জন্ম দিয়া কাৰ্যত ব্ৰতী আছিল।

বৈবাহিক জীৱনত সৌভাগ্যশালী যদিও সতি-সন্ততিৰ দিশত তেওঁৰ জীৱন কিছু কাৰুণ্যৰে ভৰা। প্ৰথম দুটি সন্তান অতি কম দিনৰ ব্যৱধানত তেওঁৰ কোলা শূন্য কৰি গুচি গৈছিল। তেখেতৰ তৃতীয় সন্তান অলি বৰকটকী আৰু চতুৰ্থ সন্তান পুলিন বৰুৱা। অলি বৰকটকীক যোৰহাটৰ আইনজীৱী দুলাল বৰকটকীলৈ বিবাহ দিয়ে। এওঁলোকৰ সন্তান অজয় আৰু সঞ্জয় স্নেহ দেৱীৰ নাতি। পুলিন বৰুৱাই চাকৰি নকৰি স্বাধীন ব্যৱসায়ত মনোনিবেশ কৰে। পুলিন বৰুৱাই নয়নী বৰুৱাক বিবাহ কৰোৱাৰ পিছত অমৰ আৰু নীলাক্ষী দুটা পুত্ৰ-কন্যা সন্তানৰ জন্ম হয়। এই দুজন স্নেহ দেৱীৰ পুত্ৰৰ ফালৰ নাতি। স্নেহ দেৱীৰ পুত্ৰ-কন্যা পুলিন বৰুৱা আৰু অলি বৰকটকী বৰ্তমানে যোৰহাট চহৰৰ স্থায়ী বাসিন্দা।

১৯৬২ চনৰ জানুৱাৰী মাহত স্নেহ দেৱীৰ স্বামী ডাঃ দীনেশ চন্দ্ৰ বৰুৱাৰ পৰলোক প্ৰাপ্তি ঘটে। তেখেতে স্বামীৰ স'তে ভালেমান দিন জয়পুৰত কটাইছিল। তাৰ পিছত প্ৰায় পঁচিশ বছৰমান কাল নাহৰকটীয়াত কটাইছিল। তাৰ পৰা আহি ১৯৭১ চনৰ পৰা যোৰহাটৰ ক্লাব ৰোড (Club road)ৰ নিজ বাসভৱনত বসবাস কৰিছিল। স্বামীৰ স'তে বিভিন্ন স্থান পৰিভ্ৰমণ কৰি থকা কালত পোৱা বিভিন্ন ব্যক্তিৰ সান্নিধ্যই তেওঁক দিয়া বিভিন্ন অভিজ্ঞতা আৰু তেওঁলোকৰ মনৰ খবৰবোৰেই স্নেহ দেৱীৰ গল্পসমূহৰ সমল হৈ পৰিছিল। স্নেহ দেৱীৰ সদায় দিনপঞ্জী লিখাটো এক অভ্যাস আছিল। জীৱনৰ বিভিন্ন অভিজ্ঞতা এই দিনপঞ্জীতেই লিপিবদ্ধ হৈছিল। তেখেত আছিল কোমল অন্তৰৰ, দৃঢ় ব্যক্তিত্বৰ, সহানুভূতিশীল, প্ৰচাৰবিমুখ, সাহিত্যৰ এগৰাকী নীৰৱ সাধক। তেখেতৰ এনে ব্যক্তিত্বৰ বাবে সাংসাৰিক জীৱনৰ বিভিন্ন সমস্যাইও তলাব পৰা নাছিল। সেই সমস্যাবোৰক নেওচি নিজকে প্ৰস্তুত কৰি তেওঁ সাহিত্য সাধনাত ব্ৰতী হৈছিল।

তেখেতে তদানীন্তন সমাজখনৰ বাবে কিছু ৰক্ষণশীল হ'লেও অন্ধবিশ্বাসী নাছিল। তেখেতৰ যুক্তিবাদী মনটো সকলোৰে বাবে আকৰ্ষণৰ কেন্দ্ৰবিন্দু আছিল। তেওঁ উদাৰ প্ৰকৃতিৰ আছিল। নিঃসহায় মানুহক সহায় কৰি আনন্দ লভিছিল। মানুহৰ বেয়া গুণ বা দোষবোৰক বেয়া পাইছিল। দোষৰ বাবে কাৰোবাক ব্যক্তিগতভাবে বেয়া পালেও হিংসা কৰা নাছিল। এই বিশেষ গুণবোৰে তেখেতক সৰৱৰহী কৰি তুলিছিল।

শিল্পকৰ্মৰ প্ৰতি তেখেতৰ বিশেষ ৰাপ আছিল। কিছুমান পেলনীয়া বস্তুৰে বিভিন্ন সৰু সৰু লাগতিয়াল বস্তু তৈয়াৰ কৰি লোৱা তেখেতৰ এক বিশেষ ৰাপ আছিল। কলাৰ প্ৰতিও অনুৰক্ত আছিল কাৰণেই তেখেত জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলোৰে লগত সহজতে মিলি যাব পাৰিছিল। তেখেত যিদৰে উচ্চ আদৰ্শৰ দ্বাৰা পৰিচালিত হৈছিল তেখেতৰ সংস্পৰ্শত থকা নিজ পৰিয়াল বা আন বন্ধুবৰ্গকো তেনে ভাবত অনুৰক্ত কৰি তুলিব পাৰিছিল। বেলেগৰ গুণবোৰক তেওঁ শ্ৰদ্ধা কৰিছিল।

তেখেত অন্ধ ধৰ্মবিশ্বাসী নাছিল। একান্ত নিষ্ঠাৰে মানৱসেৱা আৰু ঈশ্বৰৰ সেৱাই তেখেতৰ মূল ধৰ্ম আছিল। সাম্প্ৰদায়িকতাৰ ভেদভাব মুঠেই নাছিল। সকলোৰে লগত অতি সহজেই আত্মীয়তা গঢ়ি তুলিব পৰা তেখেতৰ এক বিশেষ গুণ আছিল। ওচৰ-চুবুৰীয়াৰ লগত সদায় সদ্ভাৱ বজাই ৰাখিছিল।

স্নেহ দেৱীৰ জাতীয় চেতনা আছিল অপৰিসীম; নিজৰ ভাষা সাহিত্যৰ প্ৰতি তেখেত সদায় সচেতন আছিল। সেয়ে নিজৰ ভাষা সাহিত্যক বৰ্তাই ৰাখিবলৈ প্ৰাণে-পণে চেষ্টা কৰিছিল। পুৰস্কাৰ বা প্ৰচাৰৰ বাবে তেখেত সাহিত্য সৃষ্টি কৰা নাছিল। তেখেত সাহিত্য সৃষ্টি কৰাৰ মূল উদ্দেশ্যই আছিল অসমীয়া ভাষা সাহিত্যৰ সেই সংকটকালত নিজৰ ভাষা-সংস্কৃতিক জীয়াই ৰখা আৰু অসমীয়া ভাষা সাহিত্যক চহকী কৰা।

স্নেহ দেৱীৰ এক নিচা আছিল গ্ৰন্থ অধ্যয়ন। অকলশৰীয়া মুহূৰ্তবোৰ পাৰ কৰিবলৈ গিৰীয়েকে বিভিন্ন গ্ৰন্থৰ যোগান ধৰিছিল। অৱসৰৰ মুহূৰ্তবোৰ সেই গ্ৰন্থবোৰ অধ্যয়ন কৰি সময় পাৰ কৰিছিল। সেয়ে তেখেতৰ ৰচনাবোৰৰ মাজেৰে তেখেতৰ অধ্যয়নশীলতাৰ পৰিচয় পোৱা যায়। বাংলা আৰু হিন্দী ভাষাত লিখা আৰু পঢ়াৰ দক্ষতাৰ বাবে তেখেতে সাহিত্য জগতখনত ব্যাপকতা লাভ কৰিছিল। বিভিন্ন গ্ৰন্থ অধ্যয়নৰ ফলস্পৰূপেই সাহিত্য সৃষ্টিত প্ৰেৰণা লাভ কৰিছিল। স্নেহ দেৱীৰ ৰচনাৰাজিৰ মাজেদি প্ৰতিভাৰ উমান পোৱা যায়। তেওঁৰ ৰচনাবোৰত প্ৰকাশভংগীৰ প্ৰাঞ্জলতা আৰু গভীৰ ভাষাজ্ঞানৰ পৰিচয় পোৱা যায়। তেখেতৰ ৰচনাবোৰত নিভাঁজ অসমীয়া মণি-মুকুতাৰে সজাই-পৰাই জাকত জিলিকা কৰিবলৈ চেষ্টা কৰিছিল।

স্নেহ দেৱী অত্যন্ত ধৰ্মভীৰু মহিলা আছিল। মৃত্যুৰ আগমুহূৰ্তলৈ নিজে দৈনিক গোসাঁইঘৰত চাকি-বন্তি জ্বলোৱা, ফুল-তুলসীৰে পূজা কৰা, ধূপ-ধুনা লগোৱা, কীৰ্তনঘোষা, নামঘোষা পঢ়া আদি কাম নিজেই কৰিছিল। ব্ৰাহ্মণ-সজ্জন, গুৰু-গোসাঁই আদিৰ প্ৰতি অসীম শ্ৰদ্ধা-ভক্তি প্ৰকাশ কৰিছিল। নিজৰ ঘৰত সত্যনাৰায়ণ, শিৱ পূজা, লক্ষ্মী পূজা, জন্মাষ্টমী আদি কৰি আত্মতৃপ্তি লাভ কৰিছিল।

নিশাৰ নিৰ্জনতা আছিল তেখেতৰ লিখনিৰ উপযুক্ত সময়। স্বামীৰ চেম্বাৰলৈ অহা বিভিন্ন ৰোগীৰ মনৰ বতৰাবোৰ আছিল তেখেতৰ গল্পৰ মূল সমল। বিভিন্ন অসুখীয়া নাৰীৰ স'তে কথা

পাতি তেওঁলোকৰ জীৱনৰ বিভিন্ন সমস্যা, সংঘাতৰ কথা জানিব পাৰিছিল আৰু সেইবোৰেই গল্পবোৰত বিশেষভাবে স্থান পাইছিল। তেখেতে নিজেই কৈছে যে—

> মোৰ গল্পত যিবিলাক নাৰী চৰিত্ৰৰ কথা লেখোঁ তেওঁ বিলাক মোৰ চিনাকি চৰিত্ৰ। মই সততে তেওঁবিলাকক লগ পাইছিলো। তেওঁবিলাকক মই বুজিছিলো আৰু তেওঁবিলাকেও নিজৰ সুখ-দুখৰ কথা অকপটে মোক জনাইছিল। তেওঁবিলাক প্ৰধানকৈ গাঁৱৰ তিৰোতা নাইবা গাঁৱৰ ওচৰৰ সৰু চহৰৰ মধ্যবিত্ত বা নিম্নবিত্তৰ ঘৰৰ।[৩]

মাত্ৰ পঞ্চম শ্ৰেণীলৈ পঢ়া এইগৰাকী সাহিত্যিকে নিজৰ জীৱনৰ বাস্তৱ অভিজ্ঞতালব্ধ সৃষ্টিৰে অসমীয়া সাহিত্যৰ জগতখনক বৃহৎ অৰিহণা দি গ'ল। এনে অৱদানৰ বাবেই অসমীয়া সাহিত্য জগতত তেওঁ এগৰাকী সু-প্ৰতিষ্ঠিত লেখিকাৰূপে পৰিগণিত হ'ব পাৰিছে।

প্ৰায় আঠত্ৰিশ বছৰ কাল ভাষা সাহিত্যৰ উন্নয়নৰ চিন্তা কৰি এইগৰাকী লেখিকাই যি দান দি গ'ল সি সদায় স্মৰণীয়। দৈনন্দিন জীৱনৰ বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেৰে প্ৰায় পাঁচশৰো অধিক চুটিগল্প ৰচনা কৰিছিল। সংৰক্ষণৰ অভাৱত বহুসংখ্যক গল্প এতিয়া পোৱা নাযায়। সংঘাত আৰু সংগ্ৰামেই মানুহৰ সৃষ্টিত উদগণি যোগায়। জীৱনত অহা বিভিন্ন বাধা-বিঘিনীয়ে মানুহৰ আশাৰ প্ৰাচীৰ হ'ব নোৱাৰে। সৃষ্টিৰ মাজেৰে মানুহে নিজকে জীয়াই ৰাখিব বিচাৰে। স্নেহ দেৱীৰ জীৱনতো বিভিন্ন বিপৰ্যয়, বিপদ-বিঘিনী আহিছিল। সন্তানৰ বিয়োগ, স্বামী বিয়োগ ইত্যাদি এশ এবুৰি সমস্যাইও তেওঁৰ সৃষ্টিশীল মনটোক বাধা দিব পৰা নাছিল। বিভিন্ন দুৰ্যোগৰ মাজতো তেওঁ জীৱন আৰু মানৱতাৰ সন্ধান কৰি তেওঁ অনৱদ্য সৃষ্টিৰে অসমীয়া ভাষা সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গ'ল। উল্লেখযোগ্য যে এইগৰাকী লেখিকাই স্বীকৃতিৰ অপেক্ষা নকৰি নীৰৱে সাহিত্য সৃষ্টিৰ অনলস প্ৰয়াস কৰি গৈছিল। এইগৰাকী ক্লান্তিবিহীন লেখিকাৰ অতি আচৰিত কথা যে মৃত্যুৰ দিনাখনো ৰাতিৰ ভাতসাঁজ নিজেই ৰান্ধি খাই ধৰাধামৰ পৰা বিদায় মাগিছিল।

অসমীয়া ভাষা সাহিত্যৰ নিৰলস সাধনা কৰি এইগৰাকী সাহিত্যিকে ১৯৯০ চনৰ অক্টোবৰ মাহৰ ৫ তাৰিখ বৃহস্পতিবাৰে যোৰহাটৰ নিজ বাসভৱনতে ইহসংসাৰৰ পৰা চিৰবিদায় লয়। তেখেতৰ মৃত্যুত সকলোৰে শোকাভিভূত হোৱাৰ লগতে অসমীয়া সাহিত্যৰ বাবে অপূৰণীয় ক্ষতি হয়।

# স্নেহ দেৱীৰ সংক্ষিপ্ত জীৱনালেখ্য

**(স্নেহ দেৱীৰ ৰচনা সম্ভাৰৰ সৌজন্যত)**[৪]

১। জন্ম— ১৯১৬ চনৰ আগষ্ট মাহত— যোৰহাটৰ ৰজামৈদামত।

২। পিতৃ— নন্দধৰ বৰুৱা আৰু মাতৃ— কিৰণময়ী দেৱী।

৩। পঞ্চম শ্ৰেণীলৈকে আনুষ্ঠানিক শিক্ষা লাভ কৰে।

৪। ১৯২৮ চনত ডিব্ৰুগড়ৰ ডাঃ দীনেশ চন্দ্ৰ বৰুৱাৰ লগত বিয়া। কিন্তু শান্তি বিয়া সম্পন্ন হয় ১৯৩১ চনৰ ফেব্ৰুৱাৰী মাহত।

৫। বিয়াৰ পিছত জয়পুৰত থকা সময়ত বাহিৰা কিতাপ পঢ়া আৰু অধ্যয়নত ব্ৰতী হয়।

৬। ১৯৫২ চনত *‘সৌমাৰ জ্যোতি’*ত প্ৰথম কবিতা *‘প্ৰয়োজন’* প্ৰকাশ হয়। আৰু প্ৰথম গল্প *‘জোৱাৰৰ পিছত’* ষষ্ঠ বছৰ অষ্টম সংখ্যা *‘ৰামধেনু’*ত প্ৰকাশ পায়। গুৱাহাটী অনাতাঁৰ কেন্দ্ৰত তেওঁৰ প্ৰথম নাট *‘শেষ তৃপ্তি’* প্ৰচাৰ হয়।

৭। ১৯৫৭-৫৮ চনত *ৰামধেনু*ৰ বাৰ্ষিক প্ৰতিযোগিতাত তেওঁৰ গল্প *‘সূচনা’*ই প্ৰথম স্থান লাভ কৰে।

৮। ১৯৮৭ চনত অসম সাহিত্য সভা ‘বাসন্তী বৰদলৈ সোঁৱৰণী বঁটা’ লাভ। সেই চনতেই সাহিত্যিক পেঞ্চনো লাভ। ১৯৮৮ চনত সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ বৰপেটা, অধিৱেশনৰ মুকলি সভাত সভানেত্ৰীত্ব কৰে। সেই চনতেই ফেব্ৰুৱাৰীত বহা অসম সাহিত্য সভাৰ দ্বাৰা সম্বৰ্ধিত। ১৯৯০ চনত সাহিত্য একাডেমীৰ বঁটা লাভ।

৯। চাৰিখন গল্প সংকলন প্ৰকাশ হোৱাৰ উপৰিও তেওঁৰ বহু গল্প বিভিন্ন আলোচনী, বাতৰিকাকত আদিত প্ৰকাশ পাইছে। কেইবাগৰাকী অসমীয়া কৃতি সাহিত্যিকৰ সম্পাদনাত ওলোৱা গ্ৰন্থত তেওঁৰ গল্পই স্থান পাইছে। অসমীয়া সাহিত্যত এগৰাকী শ্ৰেষ্ঠ গল্পকাৰ হিচাপে প্ৰতিষ্ঠিত হয়।

১০। ১৯৯০ চনৰ ৫ অক্টোবৰত যোৰহাটত শেষ নিশ্বাস ত্যাগ কৰে।

স্নেহদেৱীৰ জীৱন পৰিক্ৰমা বিশ্লেষণ কৰিলে দেখা যায় যে বিভিন্ন ঘাত-প্ৰতিঘাতেৰে পূৰ্ণ জীৱন কালত এগৰাকী আদৰ্শ নাৰী হিচাবে যিখিনি সংযমতা ৰক্ষা কৰি চলিব লাগে সকলোখিনি ৰক্ষা কৰি চলিছিল। ঘৰুৱা ব্যস্ততাৰ মাজতো তেওঁ সৃষ্টি কৰি যোৱা সাহিত্যই এখন সুকীয়া আসনৰ অধিকাৰী কৰি তুলিছে। তেওঁৰ কৰ্মই আমাক এটাই শিক্ষা দিয়ে যে নিষ্ঠা আৰু একাগ্ৰতা থাকিলে জীৱনত সকলো কাম হেলাৰঙে কৰিব পাৰি।

## ১.০২ স্নেহ দেৱীৰ সাহিত্য কৃতি

স্নেহদেৱীয়ে সাহিত্যিক হ'ম বুলি সাহিত্য ৰচনা কৰা নাছিল। আজৰি সময়ত বিভিন্ন গ্ৰন্থ অধ্যয়নে তেওঁৰ মনত উৎসাহ যোগোৱাৰ বাবেই তেওঁ সাহিত্য ৰচনাত হাত দিছিল। অসমীয়া সাহিত্য জগতৰ সেই সন্ধিক্ষণত এনে এজন সাহিত্যিকৰ প্ৰয়োজনো আছিল। সেয়ে মহিলা লেখিকা হিচাবে সেইখিনি সময়ত তেওঁৰ বিশিষ্ট আসনখন কোনেও দখল কৰিব নোৱাৰিলে। এই উপ-অধ্যায়টোত তেওঁ ৰচিত সাহিত্যিৰাজিৰ পৰিচয় দিবলৈ যত্ন কৰা হ'ল।

স্নেহদেৱী এগৰাকী অধ্যয়ন পিপাসু মহিলা আছিল। ঘৰুৱা কাম-কাজ অটোৱাৰ পিছত অৱসৰৰ মূহুৰ্তখিনিক কামত লগাবলৈকে তেখেতে বিভিন্ন পুথি অধ্যয়ন কৰাৰ লগতে কলম হাতত তুলি লৈছিল। তেওঁ গল্পকাৰ হিচাবে প্ৰতিষ্ঠিত যদিও সাহিত্যৰ অইন ভাগ যেনে কবিতা, নাটক, শিশু সাহিত্য আদিতো কিছু অৰিহণা আগবঢ়াইছে। বিভিন্ন সৰু-বৰ ঘটনাৰ সংমিশ্ৰণেৰে মানৱীয় প্ৰমূল্য বিশ্লেষণেৰে, সংবেদনশীল অনুভূতিৰে স্নেহ দেৱীৰ প্ৰতিটো গল্পই মন চুই যোৱা বিধৰ। তেওঁৰ গল্পত সৰ্বত্ৰ আনন্দ আৰু বেদনাৰে সুগভীৰ স্পৰ্শ বিৰাজমান। জীৱনৰ দুৰ্ভেদ্য অন্ধকাৰ ভেদ কৰি তেওঁ দৃঢ়তাৰ সৈতে বিচিত্ৰ চৰিত্ৰ সৃষ্টি কৰি কেতিয়াবা বেদনাক অবিচ্ছেদ্য অংশ বুলি কৈছে আৰু কেতিয়াবা হয়তো সুখৰ প্ৰতীক্ষাৰে আশা-আকাংক্ষাক জীৱনৰ উৎস বুলিও বৰ্ণনা কৰিছে।

'স্নেহ দেৱীয়ে ১৯৫৩ চনৰ পৰা ১৯৯০ চনলৈ পাঁচশৰো অধিক গল্প ৰচনা কৰিছে।'[৫]

কিন্তু ভালেসংখ্যক গল্প সংৰক্ষণৰ অভাৱত হেৰাই যোৱা দেখা যায়। বৰ্তমানে তেওঁৰ প্ৰায় ৮৫টা গল্পহে সংৰক্ষিত হৈছে।

প্ৰথম প্ৰকাশিত *'জোৱাৰৰ পাছত'* গল্পটোৰে পাঠক সমাজৰ পৰা সমাদৰ লাভ কৰাত তেওঁ এক নতুন উদ্যম লাভ কৰে। প্ৰথম প্ৰকাশিত কবিতা *'প্ৰয়োজন'*ৰ পৰা লাভ কৰা উৎসাহ-উদ্দীপনাৰে ৰচনা কৰা নাট *'শেষ তৃপ্তি'* গুৱাহাটীৰ অনাতাঁৰ কেন্দ্ৰৰ যোগেদি প্ৰচাৰৰ যোগ্য বুলি বিবেচিত হোৱাত তেওঁৰ সাহিত্য চৰ্চাৰ মনোবল দুগুণলৈ বৃদ্ধি পায়। মাজে মাজে অনাতাঁৰ কেন্দ্ৰৰ যোগেদি তেওঁৰ গল্প নাটিকা আদি প্ৰচাৰ হৈছিল।

স্নেহ দেৱীৰ ৰচনাৰাজিক বিশেষকৈ কেইটামান ভাগত ভাগ কৰিব পাৰি—

### ১.০২.১ স্নেহ দেৱী ৰচিত সাহিত্যৰাজি ঃ

ক) চুটিগল্প

খ) নাটক

গ) কবিতা

ঘ) শিশু সাহিত্য

ঙ) ভাষণ/বক্তৃতা।

(ক) **চুটিগল্প ঃ** স্নেহ দেৱীয়ে প্ৰায় পাঁচশৰো অধিক গল্প লিখা বুলি যোগেশ দাস, অম্বিকা চৌধুৰী আদিয়ে প্ৰকাশ কৰি গৈছে। সেই সময়ৰ বিভিন্ন বাতৰি কাকত, আলোচনী, পত্ৰিকা, স্মৰণিকা আদিত তেখেতৰ গল্প প্ৰকাশ পাইছিল। তেখেতৰ গল্পপুথি চাৰিখন। সেইবোৰ হ'ল— *'কৃষ্ণা দ্বিতীয়াৰ জোনাক'* (১৯৫৮), *'স্নেহ দেৱীৰ গল্প'* (১৯৬৬), *'স্নেহ দেৱীৰ শ্ৰেষ্ঠ গল্প'* (১৯৮১) আৰু *'স্নেহ দেৱীৰ একুঁকি গল্প'*(১৯৮৮) এই চাৰিখন গল্প সংকলনৰ উপৰিও তেওঁৰ বিভিন্ন গল্প বিভিন্ন আলোচনীত প্ৰকাশ পাইছে। সেইবোৰ আভাস তলত দিবলৈ যত্ন কৰা হ'ল—

**কৃষ্ণা দ্বিতীয়াৰ জোনাক ঃ** স্নেহ দেৱীৰ এইখন প্ৰথম প্ৰকাশিত গল্পপুথি। এইখন পুথি প্ৰথম প্ৰকাশ পায় ১৯৫৮ চনৰ মাৰ্চ মাহত। যোৰহাটৰ ৰজা মৈদামৰ 'চানেকি প্ৰকাশ ভৱন'ৰ স্বত্বাধিকাৰী হৰেন্দ্ৰ কুমাৰ বৰুৱাই এই সংকলনখনি প্ৰকাশ কৰি উলিয়ায়। প্ৰচ্ছদ, পৰিকল্পনা অংকন কৰে হৰেন্দ্ৰ কুমাৰ বৰুৱাই।

*'কৃষ্ণা দ্বিতীয়াৰ জোনাক* গল্পপুথিখনত মুঠ সাতটা গল্প সন্নিৱিষ্ট হৈছে।[৬]

সেইকেইটা হ'ল—

১। যাদু

২। সম্বল

৩। অপ্ৰত্যাশিত

৪। অন্তৰালত

৫। ফুলি বাই

৬। লক্ষ্যভ্ৰষ্ট

৭। কৃষ্ণা দ্বিতীয়াৰ জোনাক।

এইখন পুথিৰ গল্পকেইটাত মানৱীয় মূল্যবোধ, নিভাঁজ প্ৰেম, জীৱিকাৰ তাড়নাত মানুহে গ্ৰহণ কৰা বিভিন্ন পথ, উপকাৰৰ বিনিময়ত প্ৰতাৰণা, মানুহৰ চৰিত্ৰৰ প্ৰতি সন্দেহ আদি বিভিন্ন নাৰী চৰিত্ৰৰ মাজেদি তদানীন্তন সমাজ ব্যৱস্থাৰ আভাস দিবলৈ যত্ন কৰিছে। প্ৰথম প্ৰকাশিত এইখন পুথিয়েই ভৱিষ্যতৰ এক সম্ভাৱনাপূৰ্ণ ইংগিত বহন কৰিছিল।

**স্নেহ দেৱীৰ গল্প ঃ** ১৯৬৬ চনত প্ৰকাশ পোৱা *স্নেহ দেৱীৰ গল্প* লেখিকাৰ দ্বিতীয় প্ৰকাশিত গল্পপুথি। এইখন পুথি প্ৰথম প্ৰকাশ কৰিছে নলবাৰীৰ 'দত্ত বৰুৱা এণ্ড কোম্পানীয়ে। এই পুথিখনিত মুঠ ১৯ (ঊনৈশ)টা গল্পই স্থান পাইছিল। সেইবোৰ হ'ল—

১। এধানি প্ৰাণৰ ব্যথা

২। কলমৰ খোঁচ

৩। অপেক্ষাৰ অন্তত

৪। অসমাপ্ত চিঠি

৫। সন্ধিয়াৰ কুৰলীত

৬। মৌন ক্ষমা

৭। নির্ভেজাল

৮। আত্মসাৎ

৯। বিনিময়

১০। সহযোগ

১১। মধুৰ বেদনা

১২। যোগাযোগ

১৩। প্ৰিয় অসত্য

১৪। পৰীক্ষা

১৫। সুখীতা

১৬। উন্মোচন

১৭। সমাধান

১৮। এটি মৃত্যুত

১৯। পোঁহৰ।

এই সংকলনৰ প্ৰায়ভাগ গল্পই মৰ্মস্পৰ্শী। গল্পবোৰত দৰিদ্ৰতাই কোঙা কৰা একোখন সংসাৰৰ বৰ্ণনা, স্নেহ, প্ৰেম, ঈৰ্ষা, বিদ্বেষ আদি বিভিন্ন গুণৰ সমাবেশ হোৱা দেখা যায়। গল্পবোৰত মানুহৰ জীৱন ধাৰাক সূক্ষ্মাতিসূক্ষ্ম পৰ্যবেক্ষণ কৰি জীৱনক গভীৰভাৱে উপলব্ধি কৰিবলৈ চেষ্টা কৰা দেখা যায়।

**স্নেহ দেৱীৰ শ্ৰেষ্ঠ গল্প ঃ**

১৯৮১ (নৱেম্বৰ) চনত প্ৰকাশ পোৱা স্নেহ দেৱীৰ তৃতীয় গল্প সংকলন হ'ল *স্নেহ দেৱীৰ শ্ৰেষ্ঠ গল্প'*। এই গল্প সংকলনখনি প্ৰকাশ কৰিছিল পাঠশালাৰ বাণী প্ৰকাশৰ স্বত্বাধিকাৰী অম্বিকাপদ চৌধুৰীয়ে। পুথিখনিত গল্পবোৰৰ বিষয়ে যোগেশ দাসে এটি সুন্দৰ পাতনি লিখিছে। এই সংকলনখনি

অ'ত-ত'ত সিঁচৰতি হৈ থকা মুঠ ষোল্লটা গল্পৰ সমষ্টি। ইয়াত সন্নিৱিষ্ট গল্পকেইটা হ'ল—

১। মনে মনে

২। সূচনা

৩। ভাতৃ

৪। প্ৰেৰণাৰ সমাধি

৫। বিপত্তি

৬। কৰুণ উলাহ

৭। সময়ৰ শিকনি

৮। সমৰ

৯। বিষক্ৰিয়া

১০। কলঙ্ক

১১। মৰম

১২। বিভিন্ন বেদনা

১৩। অফুৰন্ত আশা

১৪। সংকট মুহূৰ্তত

১৫। এটি আবেলিৰ স্মৃতি

১৬। কালজয়ী।

গল্পপুথিখনৰ সন্দৰ্ভত যোগেশ দাসৰ মন্তব্য প্ৰনিধান যোগ্য। তেওঁৰ মতে—

> "জটিল মানসিক দ্বন্দ্ব স্নেহ দেৱীৰ গল্পৰ এটি প্ৰধান অৱলম্বন। যিবোৰ অনুধাৱন কৰি বেছ ৰসৰ আনন্দ উপভোগ কৰিব পাৰি। একোটা মুহূৰ্তত সৌন্দৰ্য বা বেদনা তেওঁৰ একোটা গল্পৰ বক্তব্য বিষয়— যিটো বিশেষত্ব চুটি গল্পৰ এটা প্ৰধান বিশেষত্ব আৰু এনে একোটা মুহূৰ্তক গল্প ৰূপত সজাই তোলা আমাৰ সাহিত্যত কমেই দেখা যায়। মধ্যবিত্ত, নিম্ন বিত্ত, সৰল জটিল, অসমীয়া, অনা-অসমীয়া বিপন্ন তিৰোতা আৰু ক্ৰুৰমতি পুৰুষ ইত্যাদি বিচিত্ৰ ধৰণৰ মানুহৰ কাৰ্যকলাপ, আচৰণ আৰু মানসিক অৱস্থা স্নেহ দেৱীৰ এই গল্পবিলাকত বিশ্লেষিত হৈছে।"[৭]

তেখেতৰ গল্পত ফ্ৰয়ডীয় মনস্তত্ত্বৰ প্ৰভাৱো লক্ষ্য কৰা যায়। *'সূচনা প্ৰেৰণাৰ সমাধি, বিষক্ৰিয়া'* আদি গল্পবোৰত মনোবিজ্ঞানৰ কেতবোৰ জটিল তত্ত্বৰ ব্যাখ্যা দেখা যায়। *'সূচনা'* নামৰ গল্পটিৰ বাবে *'ৰামধেনু'* গোষ্ঠীৰ পৰা পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিল।

**স্নেহ দেৱীৰ একুঁকি গল্প ঃ** স্নেহ দেৱীৰ চতুৰ্থ গল্প সংকলন হ'ল— *'স্নেহ দেৱীৰ একুঁকি গল্প'*। এই পুথিখন ১৯৮৮ চনৰ জানুৱাৰী মাহত প্ৰকাশ পায়। এইখন গ্ৰন্থও বাণী প্ৰকাশ (গুৱাহাটী)ৰ স্বত্বাধিকাৰী অম্বিকাপদ চৌধুৰীয়ে প্ৰকাশ কৰি উলিয়াইছিল। এই গল্প পুথিখন মুঠ বাৰটা গল্পৰ সমষ্টি। গল্পকেইটা হ'ল—

১। বিচিত্ৰ

২। ফেঁহুজালি

৩। তেওঁলোকৰ মন

৪। কথা আছিল

৫। বক্ৰ পথ

৬। নাম দিম কল্যাণী

৭। ছাইৰ আলি

৮। ৰমলাৰ কথা

৯। ভয়

১০। বৰমা

১১। বন্ধু তুমি মোৰ, তুমি শত্ৰু

১২। নিশাৰ পখী।

এইখন গল্প সংকলনৰ গল্প কেইটাৰ বিষয়ে সত্যেন্দ্ৰ নাথ শৰ্মাৰ মতামত বিশেষভাবে প্ৰনিধানযোগ্য --

> 'ঘৰুৱা খুটি-নাটি আৰু মানৱীয় প্ৰমূল্যেৰে আটাইকেইটি গল্পই সমুজ্জ্বল। এওঁৰ ৰচনাত প্ৰেমৰ বিভিন্ন আকৰ্ষণীয় দিশৰ প্ৰকাশ ঘটিছে যদিও জীৱনৰ অভিব্যক্তি কেৱল প্ৰেমতে সীমিত নহয়।'[৮]

এইখন গল্প সংকলনৰ বিষয়ে ত্ৰৈলোক্যনাথ গোস্বামীয়ে তেওঁৰ *আধুনিক গল্প সাহিত্যত* এইদৰে মন্তব্য দিছে -

> "ঠায়ে ঠায়ে ভাব-প্ৰৱণতাৰ প্ৰকাশ আৰু আতিশয্যৰ প্ৰতি মোহৰ নিদৰ্শন থাকিলেও জীৱনৰ কিছুমান সৰু সৰু ঘটনাই ব্যক্তিৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰি তেওঁৰ দৃষ্টিভংগী সলনি কৰাৰ দৃষ্টান্ত স্নেহ দেৱীৰ গল্পত আছে। সহানুভূতিশীল দৃষ্টিভংগীৰে নাৰী চৰিত্ৰ বিশ্লেষণৰ চেষ্টা তেওঁৰ এটা বিশেষত্ব।[৯]

উল্লেখযোগ্য যে, *স্নেহ দেৱীৰ একুঁকি গল্প'* পুথিখনে ১৯৯০ চনত সাহিত্য অকাডেমী বঁটা প্ৰাপ্তিৰ লগতে জীৱনযোৱা সাহিত্য চৰ্চাৰ ৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰিবলৈ সক্ষম হয়।

স্নেহ দেৱীৰ উক্ত চাৰিখন গল্পপুথিত মুঠ ৫৪ টা গল্প সন্নিৱিষ্ট হৈছে। ইয়াৰ উপৰিও তেওঁৰ বিভিন্ন গল্প— অসম বাণী, নতুন অসমীয়া, দৈনিক অসম, উৰুলি, পছোৱা, অসম বাতৰি, পূৰ্বাচল, নীলাচল, মণিদীপ, জনমভূমি, প্ৰান্তিক, ৰংঘৰ, বৰদৈচিলা, অগ্ৰদূত, শ্ৰীময়ী, জোনবিৰি আদি বিভিন্ন কাকতত সিঁচৰতি হৈ আছে। কিছুমান গল্প অপ্ৰকাশিত অৱস্থাতো পোৱা গৈছে।

বিভিন্ন আলোচনী, কাকত, গল্পপুথি আদিত সিঁচৰতি হৈ থকা গল্পসমূহৰ তালিকা এনেধৰণৰ—

১। *জোৱাৰৰ পাছত* — 'গল্প সংগ্ৰহ' বিশ্বনাৰায়ণ শাস্ত্ৰী, ১৯৬০

২। *নীৰৱ সিদ্ধান্ত* — নতুন গল্প সংগ্ৰহ, যতীন গোস্বামী, ১৯৬৩

৩। *ক্ষণ বসন্ত* — অসমীয়া প্ৰেমৰ গল্প, নিৰোদ চৌধুৰী, ১৯৬৪

৪। *মৃদু মধুৰ* — উৰুলি, ১৬ অক্টোবৰ, ১৯৬৪

৫। *প্ৰচ্ছন্ন কামনা* —দৈনিক অসম, ১১ আগষ্ট, ১৯৬৫

৬। *শুভযাত্ৰা*— উৰুলি, অক্টোবৰ ১৯৬৫

৭। *ফল্গুধাৰা* — অসম বাতৰি, ৮ অক্টোবৰ, ১৯৬৭

৮। *দিবাস্বপ্ন* — কালান্তৰৰ কথকতা, ইমৰান শ্বাহ, অৰুণ গোস্বামী, ১৯৭৮

৯। *অপৰাধবোধ* — অসম বাণী, ১৫ এপ্ৰিল, ১৯৮৩

১০। *ভাবি চিন্তি চাইহে* — অসম বাণী, ৩০ নৱেম্বৰ, ১৯৮৪

১১। *প্ৰত্যয়ৰ মৃত্যু* — অসম বাণী, ১৮ অক্টোবৰ, ১৯৮৫

১২। *ভৰণি* — অসম বাণী, ১১ এপ্ৰিল, ১৯৮৬

১৩। *সমানে সমানে* — জনমভূমি, ১৮ জুন, ১৯৮৬

১৪। *গৌৰী প্ৰভাৰ অশান্তি* — নিৰ্বাচিত গল্প (ড° পৰাগ কুমাৰ ভট্টাচাৰ্য্যৰ সম্পা.) ১৯৮৭

১৫। *উপশম* — অসম বাণী, ১ এপ্ৰিল, ১৯৮৮

১৬। *বেলুন* — অসম বাণী, — —

১৭। *মেঘমুক্ত* — যোৰহাট লেখিকা সন্থাৰ (নিৰ্বাচিত গল্প) —

১৮। *বেপাৰ* — মহিলাৰ গল্প (অলকানন্দা ডেকা)—

১৯। *পুন জীৱিত* — গল্পৰ কুকি (যোগেশ দাসৰ সম্পা.)—

২০। *এটি বিশেষ ৰাতি* — অপ্ৰকাশিত—

২১। *চালক সংবাদ* — অপ্ৰকাশিত —

২২। *ডম্বৰুৰ ধ্বনি* — অপ্ৰকাশিত —

স্নেহ দেৱীৰ কেবাটাও গল্প বিভিন্ন অসমীয়া গল্প সংকলনত স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে। তাৰে ভিতৰত উল্লেখযোগ্য গল্প সংকলনসমূহ হ'ল—

| ক্ৰমিক নং | গল্প সংকলনৰ নাম | সম্পাদনা | প্ৰকাশৰ চন |
|---|---|---|---|
| ১. | গল্প সংগ্ৰহ | বিশ্বনাৰায়ণ শাস্ত্ৰী | ১৯৬০ |
| ২. | নতুন গল্প সংগ্ৰহ | যতীন গোস্বামী | ১৯৬৩ |
| ৩. | অসমীয়া প্ৰেমৰ গল্প | নিৰোদ চৌধুৰী | ১৯৬৪ |
| ৪. | আধুনিক অসমীয়া গল্প সংগ্ৰহ | ত্ৰৈলোক্য নাথ গোস্বামী | ১৯৭১ |
| ৫. | অসমীয়া গল্প সংকলন | হোমেন বৰগোহাঞি | ১৯৭৬ |
| ৬. | কালান্তৰৰ কথকতা | ইমৰান শ্বাহ | ১৯৭৮ |
| ৭. | অসমীয়া গল্প সংকলন | নিৰ্মলপ্ৰভা বৰদলৈ | ১৯৭৯ |
| ৮. | নিৰ্বাচিত গল্প | অলকানন্দা ডেকা | |
| | | পৰাগ কুমাৰ ভট্টাচাৰ্য্য | ১৯৮৭ |
| ৯. | গল্পৰ কুঁকি | যোগেশ দাস | — |
| ১০. | মহিলাৰ গল্প | অলকানন্দা ডেকা | — |

স্নেহ দেৱীৰ বিভিন্ন গল্প প্ৰকাশ পোৱা আলোচনী, কাকত সমূহৰ তালিকা—

| ক্ৰমিক নং | আলোচনীৰ নাম | সম্পাদক |
|---|---|---|
| ১. | অসম বাণী | সতীশ চন্দ্ৰ কাকতি |
| ২. | পূৰ্বাকাশ | সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী |
| ৩. | নীলাচল | মুনীন্দ্ৰ নাৰায়ণ দত্তবৰুৱা |
| ৪. | মণিদীপ | মহেন্দ্ৰ বৰা |
| ৫. | বৰদৈচিলা | শিৱপ্ৰসাদ বৰুৱা |
| ৬. | ৰংঘৰ | বিৰিঞ্চি কুমাৰ বৰুৱা |
| ৭. | পছোৱা | হেম বৰুৱা |
| ৮. | ৰামধেনু | বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য |
| ৯. | সৌমাৰজ্যোতি | প্ৰেমধৰ ৰাজখোৱা |
| ১০. | আৱাহন (নতুন) | দীননাথ শৰ্মা |
| ১১. | জনমভূমি | ত্ৰৈলোক্য নাথ শৰ্মা |

| | | |
|---|---|---|
| ১২. | অসম বাতৰি | চন্দ্ৰপ্ৰসাদ শইকীয়া |
| ১৩. | প্ৰান্তিক | ভবেন্দ্ৰ নাথ শইকীয়া |
| ১৪. | দৈনিক অসম | কীৰ্তিনাথ হাজৰিকা |
| ১৫. | শ্ৰীময়ী | বেণী মাধৱ |
| ১৬. | জোনবিৰি | হৰেশ্বৰ ভট্টাচাৰ্য্য |
| ১৭. | মণিকূট | অতুল চন্দ্ৰ হাজৰিকা |
| ১৮. | পঞ্চতন্ত্ৰ | শংকৰলাল শৰ্মা |
| ১৯. | সূত্ৰধাৰ | হোমেন বৰগোহাঞি |
| ২০. | অসমীয়া | চন্দ্ৰপ্ৰসাদ শইকীয়া |
| ২১. | নৱযুগ | বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য |
| ২২. | নীলাচল | হোমেন বৰগোহাঞি |
| ২৩. | লেখিকা | প্ৰীতি বৰুৱা |
| ২৪. | মণিহাৰ | হোমেন বৰগোহাঞি |
| ২৫. | নতুন অনুভূতি | হৰিপ্ৰিয়া বাৰুকিয়াল গোস্বামী |
| ২৬. | ৰহিমলা | দীৰ্ঘনাসা চহৰীয়া |
| ২৭. | সমাজ | ৰামচৰণ দাস, নকুল দাস |
| ২৮. | আমাৰ প্ৰতিনিধি | ভূপেন হাজৰিকা/পদ্ম বৰকটকী |
| ২৯. | প্ৰতিধ্বনি | ভূপেন হাজৰিকা |
| ৩০. | প্ৰকাশ | চন্দ্ৰপ্ৰসাদ শইকীয়া |
| ৩১. | ৰাইজৰ বাতৰি | ডি এন চক্ৰৱৰ্ত্তী |
| ৩২. | ঘৰ জেউতি | কনকলতা চলিহা |
| ৩৩. | ৰাইজ | শূল শৰ্মা |
| ৩৪. | সাৰথি | পদ্ম কুমাৰী গোহাঞি |

(খ) **নাটক ঃ** স্নেহ দেৱীয়ে *'শেষ তৃপ্তি'* নামেৰে এখন অনাতাঁৰ নাটক ৰচনা কৰিছিল। এই নাটকখন অনাতাঁৰযোগে প্ৰচাৰিতও হৈছিল। হাতেলিখা অৱস্থাত *'পৰিচয়', 'সংসাৰ'* নামেৰে একাংকিকা নাট অপ্ৰকাশিত হৈ থকা দেখা যায়। ঐতিহাসিক নাটকৰ দৰে ৰজা-ৰাণী চৰিত্ৰৰ সমাৱেশ কৰিছে যদিও নাটবোৰ বাস্তৱধৰ্মী চৰিত্ৰৰ ওপৰত ভিত্তি কৰিয়েই ৰচনা কৰা হৈছে।

(গ) **কবিতা ঃ** কবিতাৰ জৰিয়তেই সাহিত্য জগতত প্ৰৱেশ কৰিছিল যদিও পিছলৈ তেখেত গল্পকাৰ হিচাপেহে প্ৰতিষ্ঠিত হয়। ১৯৫২ চনত *‘সৌমাৰজ্যোতি’*ত তেওঁৰ প্ৰথম কবিতা *‘প্ৰয়োজন’* প্ৰকাশ পাইছিল। ইয়াৰ উপৰি *‘কবিৰ সপোন’* বুলি কিছুমান অপ্ৰকাশিত কবিতা পোৱা যায়। এই কবিতাবোৰ ১৯৫০ চনত লিখা বুলি উল্লেখ আছে। ১৯৫০ চনৰ পৰা ১৯৫৩ চনলৈ তেওঁ দুই-এটা কবিতা ছেগাচোৰোকাকৈ লিখিছিল। কিছুমান প্ৰকাশৰ মুখ দেখিছিল যদিও কিছুমান অপ্ৰকাশিত হৈয়েই ৰৈ গৈছিল।

(ঘ) **শিশু সাহিত্য ঃ** শিশুসকলৰ উপযোগীকৈ সৰু সৰু সাধুকথা, জাতীয় কিছুমান গল্প তেওঁ লিখি থৈ যায়। বিশেষকৈ অকণিৰ বাবে অলৌকিক ঘটনা সম্বলিত এই সাধুকথাবোৰ *‘নতুন অসমীয়া’* নামৰ কাকতখনত প্ৰকাশ পাইছিল। তাৰ কিছু তালিকা দিবলৈ যত্ন কৰা হ’ল।

| **ক্ৰমিক নং** | **গল্পৰ নাম** | **প্ৰকাশ পোৱা কাকতৰ নাম** | **তাৰিখ/চন** |
|---|---|---|---|
| ১. | মৌগুটি আৰু মৌগুটি | নতুন অসমীয়া | ৪/২/৫৪ |
| ২. | মায়াবী ঘোঁৰা | নতুন অসমীয়া | ২২/৪/৫৪ |
| ৩. | টিপুৰ প্ৰাৰ্থনা | নতুন অসমীয়া | ৯/৯/৫৪ |
| ৪. | কথকীৰ বিলৈ | নতুন অসমীয়া | ২৩/১২/৫৪ |
| ৫. | মোৰ কথা শুনা | নতুন অসমীয়া | ১৮/৮/৫৫ |
| ৬. | বীৰৰ আদৰ্শ | নতুন অসমীয়া | — ১৯৫৬ |
| ৭. | অতি লোভ | নতুন অসমীয়া | — ১৯৫৬ |
| ৮. | বন্ধু | নতুন অসমীয়া | — ১৯৫৫ |
| ৯. | ম’ৰা চৰাইৰ কাহিনী | নতুন অসমীয়া | — ১৯৫৪ |

(ঙ) **ভাষণ বক্তৃতা ঃ** স্নেহ দেৱীয়ে বিভিন্ন সভা-সমিতিত দিয়া ভাষণ বা বক্তৃতাসমূহ এক আপুৰুগীয়া সম্পদ। সাহিত্য অকাডেমীৰ বাদেও বিভিন্ন মানপত্ৰ, অভিনন্দন, সম্বৰ্ধনা আদিত তেখেত বহু মূল্যৱান ভাষণ আগবঢ়াইছিল। ২১ ফেব্ৰুৱাৰী ১৯৬৮ চনত অসম সাহিত্য সভাৰ দ্বিপঞ্চাশত্তম কামপুৰ অধিৱেশনৰ গ্ৰন্থ উন্মোচিকাৰ ভাষণত তেখেতে কৈছিল যে --

> “মই এগৰাকী নিত্যান্ত সাধাৰণ তিৰোতা। কিবা এটা বুজাব নোৱাৰা অনুভূতিৰ দ্বাৰা পৰিচালিত হৈ মই সত্য ঘটনাৰ আলম লৈ চুটি গল্প লিখো। কেনে হয় মই নিজে নাজানো। পঢুৱৈ সমাজে মোক স্বীকৃতি দি বাধিত কৰিছে; আৰু সেই সাহতে আজি মই এই সভাৰ প্ৰকাশন উন্মোচনৰ কামফেৰা কৰিব পাৰিলো।”[১০]

এনে বহু ভাষণ যথেষ্ট আৱেগপ্ৰৱণ ভাষাৰে লিখা অভিভাষণসমূহ অসমীয়া ভাষা সাহিত্যৰ অমূল্য সম্পদ।

**১.০২.২ স্নেহ দেৱীয়ে সাহিত্য কৰ্মৰ বাবে লাভ কৰা সন্মানসমূহ ঃ**

স্নেহ দেৱীয়ে সন্মান বা বঁটাৰ আশাত সাহিত্য ৰচনা কৰা নাই। তেখেতে যি সময়ত সাহিত্য জগতত প্ৰৱেশ কৰিছিল সেই সময়ত অসমীয়া ভাষা সাহিত্যৰ অৱস্থা অতি পুতৌলগা আছিল। তদুপৰি মহিলা লেখিকা নাছিলেই। অসমীয়া ভাষা-সাহিত্যৰ উন্নতি সাধনেই তেখেতৰ লিখনিৰ মূল উদ্দেশ্য আছিল। বিশেষকৈ বাংলা সাহিত্যৰ ৰবীন্দ্ৰনাথ ঠাকুৰ, আশাপূৰ্ণা দেৱী, অসমীয়া সাহিত্যৰ লক্ষ্মীনাথ বেজবৰুৱা, শৰৎ চন্দ্ৰ গোস্বামী হলিৰাম ডেকা আদিৰ গল্পই তেখেতক আকৰ্ষিত কৰিছিল। তেখেত ৰচিত সাহিত্যই জীৱন কালত সন্মান পোৱাৰ উপৰিও মৰনোত্তৰ ভাবেও সন্মান পাইছিল।

১৯৫৭ চনত 'ৰামধেনু'ৰ বাৰ্ষিক প্ৰতিযোগিতাত তেওঁ ৰচিত গল্প *'সূচনা'* শ্ৰেষ্ঠ নিৰ্বাচিত হয় আৰু প্ৰথম পুৰস্কাৰ লাভ কৰে।

১৯৭৭ চনত সদৌ অসম লেখিকা সমাৰোহে তেওঁৰ সাহিত্য কৰ্মৰাজিৰ বাবে সম্বৰ্ধনা জ্ঞাপন কৰে আৰু মানপত্ৰ প্ৰদান কৰে।

২১ ফেব্ৰুৱাৰী, ১৯৮৬ চনত অসম সাহিত্য সভাৰ কামপুৰ অধিৱেশনত তেওঁক প্ৰকাশন উন্মোচিকাৰ সন্মান প্ৰদান কৰা হয়।

১৯৮৭ চনত তেওঁৰ সাহিত্যকৰ্মৰ স্বীকৃতি হিচাপে অসম চৰকাৰৰ পৰা সাহিত্যিক পেন্সন লাভ কৰে।

১৯৮৮ চনৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে হাইলাকান্দি অধিৱেশনত (অসম সাহিত্য সভাৰ) ১৯৮২-৮৬ চনৰ শ্ৰেষ্ঠ মৌলিক গ্ৰন্থৰ ভিতৰত *'স্নেহ দেৱীৰ শ্ৰেষ্ঠ গল্প'* নামৰ গল্প সংকলনখনক শ্ৰেষ্ঠ বিবেচনা কৰি 'বাসন্তী বৰদলৈ সোঁৱৰণী বঁটা' প্ৰদান কৰাৰ লগতে সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

১৭ জুলাই, ১৯৮৮ চনত গুৱাহাটীত বাণী প্ৰকাশৰ হৈ অম্বিকাপদ চৌধুৰীয়ে স্নেহ দেৱীৰ সাহিত্য কৰ্মৰ স্বীকৃতি হিচাপে অভিনন্দন পত্ৰ প্ৰদান কৰে।

'সদৌ অসম লেখিকা সমাৰোহ সমিতি'ৰ ১৯৮৮ চনত বৰপেটাত অনুষ্ঠিত হোৱা অধিৱেশনত মুকলি সভাৰ সভাপতিৰ আসন অলংকৃত কৰাৰ সুবিধা পাইছিল।

১৯৯০ চনৰ ৮ জানুৱাৰী তাৰিখে অসম সাহিত্য সভাৰ গোলাঘাট শাখাই অসমীয়া সাহিত্যৰ এগৰাকী সুপ্ৰতিষ্ঠিত চুটি গল্প লেখিকা হিচাপে সম্বৰ্ধনা জ্ঞাপন কৰে।

১৯৯০ চনত স্নেহ দেৱী ৰচিত *‘স্নেহ দেৱীৰ একুঁকি গল্প’* পুথিৰ বাবে সাহিত্য অকাডেমী বঁটাৰ বাবে নিৰ্বাচিত হয়। সেই বঁটা মৰণোত্তৰভাবে তেওঁৰ পুত্ৰ পুলিন বৰুৱাই গ্ৰহণ কৰে।

১৯৮৮ চনৰ ১৬ অক্টোবৰত শিৱসাগৰত অনুষ্ঠিত হোৱা ‘সদৌ অসম লেখিকা সমাৰোহ সমিতি’ৰ কাৰ্যকৰী সভাই শ্ৰদ্ধাৰ চিনস্বৰূপে স্নেহ দেৱীৰ সমূহ ৰচনাৱলীক একত্ৰিত কৰি *‘স্নেহ দেৱীৰ ৰচনা সম্ভাৰ’* নামেৰে প্ৰকাশ কৰাৰ দায়িত্ব লয়। পিছলৈ সেইখন ২০০১ চনত প্ৰকাশ কৰি উলিয়ায়।

স্নেহ দেৱীৰ গল্পৰ আধাৰত হিন্দী ভাষাত নাটক ৰচিত হৈছিল। তেওঁৰ *‘লতিকা’* গল্পটোৰ আধাৰত বাসু চেটাৰ্জীয়ে ১৯৮৬ চনত হিন্দী নাট্যৰূপ দি দূৰদৰ্শনৰ *‘দৰ্পণ’* অনুষ্ঠানত প্ৰচাৰিত হৈছিল। *‘লতিকা’* গল্পটো স্নেহ দেৱীৰ সফল সৃষ্টি বুলি ক’ব পাৰি।

‘নেচনেল বুক ট্ৰাষ্ট অব্ ইণ্ডিয়া’ই প্ৰকাশ কৰা দুখন সৰ্বভাৰতীয় গল্প সংকলনত স্নেহ দেৱীৰ একাধিক গল্পই স্থান পাইছে। *‘লতিকা’, ‘মেঘমুক্ত’, ‘সময়ৰ শিকনি’* আদি গল্প হিন্দী ভাষালৈ অনুবাদ হোৱা বাবে তেখেতে সৰ্বভাৰতীয় খ্যাতি লাভ কৰিছিল।

সাহিত্য অকাডেমীয়ে প্ৰকাশ কৰা *‘আধুনিক গল্প সংগ্ৰহ’*তো স্নেহ দেৱীৰ এটা শ্ৰেষ্ঠ গল্প *‘জননী’*য়ে স্থান পাইছে। *‘বছৰৰ গল্প’* নামৰ অসমীয়া শ্ৰেষ্ঠ গল্প সংকলনখনতো তেখেতৰ *‘মনে মনে’* আৰু *‘দিবাস্বপ্ন’* নামৰ দুটা গল্পই স্থান লাভ কৰিব পাৰিছে।

*‘জননী’* গল্পটো ইতিমধ্যে *‘মাডাৰ’* নামেৰে ইংৰাজীলৈও অনূদিত হৈছে।

ওপৰোক্ত আলোচনাৰ পৰা দেখা যায় যে সাহিত্যিৰ বিভিন্ন শাখাত স্নেহদেৱীয়ে অৱদান আগবঢ়াইছে। কিন্তু চুটিগল্পৰ অৰিহণাই অধিক। চুটিগল্পৰ অনবদ্য অৱদানে তেখেতক ৰামধেনু যুগৰ মহিলা লেখিকাৰ এক বিশিষ্ট আসনত অধিস্থিত কৰিছে। তেওঁ প্ৰাপ্ত বটাসমূহ আৰু কিছুমান কালজয়ী চুটিগল্প বিভিন্ন ভাষাত অনূদিত হোৱালৈ চাই তেওঁৰ সাহিত্যিই যে এক বিশিষ্ট স্থান লাভ কৰিছিল তাক দৃঢ়ভাবে ক’ব পাৰি।

**১.০৩ অসমীয়া চুটিগল্পৰ উদ্ভৱ আৰু বিকাশ ঃ**

আমাৰ গৱেষণাৰ বিষয়বস্তু যিহেতু স্নেহদেৱী ৰচিত গল্পসমূহৰ ওপৰত, সেয়ে চুটিগল্পৰ উদ্ভৱ আৰু বিকাশ, অসমীয়া চুটিগল্পৰ ইতিহাসৰ বিষয়ে জানিবলৈ এই উপ-অধ্যায়টো সংযোজন কৰা হ’ল।

আৰব, পাৰস্য আদিৰ দৰে ভাৰতবৰ্ষ এখন ৰূপকথা, সাধুকথাৰ দেশ। ভাৰতবৰ্ষত ঊনবিংশ শতিকাৰ শেষৰ ফালে সাময়িক পত্ৰিকা আলোচনীৰ পাতত চুটিগল্পৰ জন্ম হয়। ফকিৰমোহন

সেনাপতিৰ হাতত *‘লচমনীয়া’* নামৰ চুটিগল্পটিৰ জৰিয়তে চুটিগল্পৰ জন্ম হয়। বাংলা সাহিত্যত *‘ভাৰতীয়’*(বাংলা-১২৮৪)ত প্ৰকাশিত ৰবীন্দ্ৰ নাথ ঠাকুৰৰ *‘ভিখাৰিণী’*নামৰ গল্পটোৰেই প্ৰথম চুটি গল্পৰ আমদানি ঘটায়। ইয়াৰ আগতে অৱশ্যে বংকিম চন্দ্ৰৰ *‘ইন্দিৰা’*আৰু *‘মধুমতী’*নামৰ গল্প প্ৰকাশিত হৈছিল যদিও চুটিগল্পৰ সম্পূৰ্ণ বৈশিষ্ট্য লাভ কৰা নাই। ঘাইকৈ বংগৰ গ্ৰাম্য জীৱনৰ সাধাৰণ মানুহৰ সুখ-দুখ, মনোমোহা প্ৰকৃতি আৰু নাগৰিক জীৱনৰ আধাৰত ৰচিত ৰবীন্দ্ৰ নাথৰ গল্পই স্বকীয় বৈশিষ্ট্যৰে আধুনিক বাংলা চুটিগল্পৰ সুদৃঢ় ভেটি নিৰ্মাণ কৰে। হিন্দী সাহিত্যত প্ৰেমচন্দ্ৰই চুটিগল্পৰ দুৱাৰ মুকলি কৰে।

> ‘প্ৰেমচন্দ্ৰৰ গল্পৰ সংখ্যা প্ৰায় তিনিশ। এই সমূহ *প্ৰেম, পূৰ্ণিমা, প্ৰেম পঞ্চমী, প্ৰেম দ্বাদশী, প্ৰেম প্ৰতিমা, মানস সৰোবৰ, সমৰ যাত্ৰা, প্ৰেম চতুৰ্থী,* ইত্যাদি সংকলিত হৈছে।’[১১]

প্ৰেমচন্দ্ৰৰ হাততেই হিন্দী গল্প সাহিত্যই নৱৰূপ ধাৰন কৰে। তেওঁৰ গল্পত সাধাৰণ কৃষক শ্ৰমিক সকলৰ জীৱনৰ বাস্তৱ চিত্ৰ প্ৰতিফলিত হয়।

> ‘হিন্দী সাহিত্যত প্ৰেমচন্দেই তেওঁৰ গল্পৰ মাজেৰে দৰিদ্ৰ ভাৰতীয় কৃষকৰ অন্তঃজীৱন আৰু বহিঃজীৱনৰ বাস্তৱ ৰূপায়ণ ঘটাই হিন্দী চুটিগল্পৰ এক শক্তিশালী বুনিয়াদ ৰচনা কৰে।’[১২]

বেজবৰুৱাৰ পৰা আৰম্ভ কৰি বৰ্তমান সময়লৈকে ৰচিত অসমীয়া চুটিগল্পৰ ইতিহাসক সময়ানুক্ৰমে চাৰিটা যুগত ভাগ কৰিব পাৰি।

> ‘চুটিগল্পৰ বিষয়বস্তু, ৰচনাভঙ্গী আদিলৈ চাই প্ৰহ্লাদ কুমাৰ বৰুৱাৰ অসমীয়া চুটি গল্পৰ অধ্যয়নত চাৰিটা ভাগ হ’ল-[১৩]

(ক) প্ৰাৰম্ভিক যুগ (জোনাকীৰ পৰাৰ ১৯২৯লৈ)

(খ) আৱাহন যুগ (১৯২৯ৰ পৰা ১৯৪০লৈ)

(গ) যুদ্ধোত্তৰ যুগ (১৯৪০ৰ পৰা ১৯৭০লৈ)

(ঘ) সাম্প্ৰতিক যুগ (১৯৭০ৰ পৰা বৰ্তমানলৈ)।’

**১.০৩ (ক) প্ৰাৰম্ভিক (জোনাকীৰ পৰা ১৯২৯লৈ) যুগ**

অসমীয়া চুটিগল্পৰ জন্মও কাকতৰ জৰিয়তেই হয়। এই ক্ষেত্ৰত *‘জোনাকী’* কাকতৰ নাম ল’বই লাগিব। কাৰণ জোনাকীৰ চতুৰ্থ বছৰ (১৮৯২) চতুৰ্থ সংখ্যাত লক্ষ্মীনাথ বেজবৰুৱা ৰচিত *‘সেউতি’*নামৰ গল্পটি প্ৰকাশিত হয়। এইটোৰেই অসমীয়া সাহিত্যৰ প্ৰথম চুটিগল্প। ইয়াৰ পাছত বেজবৰুৱাই ১৮৯৮ চনৰ ‘জোনাকী’ত *‘ভদৰী, অনিদ্ৰা বা স্বৰ্গাৰোহণ, ভেমপুৰীয়া মৌজাদাৰ, মিলাৰামৰ আত্মজীৱনী’* আৰু ১৮৯৭ত *‘চোৰ’*নামৰ গল্প লিখি ঊনবিংশ শতিকাৰ শেষ দশকত

অসমীয়া চুটিগল্পক বিশিষ্ট ৰূপ দিয়ে।

> '১৯০১ চনত সত্যনাথ বৰাৰ সম্পাদনাত গুৱাহাটীৰ পৰা প্ৰকাশিত 'জোনাকী'তো বেজবৰুৱাই *আৰ্জি, চেনিচম্পা, কেহোঁককা, জয়ন্তী, পুত্ৰবান পিতা,* আদি গল্প লিখি অসমীয়া চুটিগল্পৰ জগতখন সমৃদ্ধ কৰে।[১৪]

'জোনাকী' যুগৰ গল্পকাৰ বেজবৰুৱাই *সুৰভি* (১৮৯৮-১৯০৯), *'সাধুকথাৰ কুঁকি'* (১৯১০), *'জোনবিৰি'* (১৯১৩) নামৰ গল্প সংকলনকেইটি প্ৰকাশ পায়। তেওঁৰ নতুনকৈ প্ৰকাশিত গল্প সংকলন *'কেহোঁকলি'* (১৯৬৮)

> "বেজবৰুৱাৰ ৰচিত প্ৰায়ভাগ গল্পতেই সমাজ সংস্কাৰৰ মনোভাৱ প্ৰতিফলিত হোৱা দেখা যায়।"[১৫]

ব্যংগাত্মক নাইবা সংস্কাৰধৰ্মী মনোভাৱেৰে ৰচিত গল্পবোৰত চৰিত্ৰৰ মনোবিশ্লেষণৰ অভাৱ দেখা যায় যদিও ৰচনা ৰীতিৰ বৈশিষ্ট্য আৰু হাস্য ৰসৰ কাৰণে গল্পবোৰৰ আদৰ সদায় থাকিব।

জোনাকী যুগৰ আন এগৰাকী প্ৰতিস্থিত গল্পকাৰ হ'ল শৰৎ চন্দ্ৰ গোস্বামী (১৮৮৭-১৯৪৪)। তেওঁৰ গল্পপুথিসমূহ হ'ল *'ময়না* (১৯২০), *গল্পাঞ্জলি* (১৯৪৪), *বাজীকৰ* (১৯৩০), আৰু *পৰিদৰ্শন'* (১৯৫৬)। এওঁৰ গল্পত হাস্য ৰসৰ প্ৰভাৱ নাই যদিও অসমৰ গ্ৰাম্য সমাজৰ সুখ-দুখ, আশা-নিৰাশা আদি সুন্দৰভাবে ফুটি উঠিছে। গোস্বামীৰ গল্পৰ প্ৰধান বৈশিষ্ট্য হৈছে— কেন্দ্ৰীয় ভাব, ঘটনাৰ ঐক্যসূত্ৰ, চৰিত্ৰৰ বিকাশ আৰু ভাষাৰ মিতব্যয়িতা। লীলাৱতী শইকীয়া বৰাই তেওঁৰ 'ভাষা সাহিত্য বিচিত্ৰা'ত শৰৎ চন্দ্ৰ গোস্বামীৰ গল্প সম্পৰ্কে কৈছে যে-

> 'গোস্বামীয়ে "সাধাৰণ মানুহৰ দুখ-দুৰ্দশা আৰু দুৰ্ভাগ্যৰ বাস্তৱতা, সামাজিক নিপীড়ন আৰু নিয়তিৰ বিধানৰ কথা মানৱ প্ৰকৃতিৰ দোষ-গুণৰ লগত সাঙুৰি পোনপটীয়াকৈ অনাড়ম্বৰ আৰু সৰল আৰু বাক্‌ভংগীৰে দাঙি ধৰিছে।[১৬]

এই যুগৰেই আন কেইজনমান উল্লেখযোগ্য গল্পলেখক হ'ল— নকুল চন্দ্ৰ ভূঞা, সূৰ্য্যকুমাৰ ভূঞা, দণ্ডিনাথ কলিতা, লক্ষ্মীনাথ ফুকন, মিত্ৰদেৱ মহন্ত, মহীশ্চন্দ্ৰ বৰা, হলিৰাম ডেকা আদি। বেজবৰুৱা প্ৰমুখ্যে এই গল্পকাৰসকলক গল্প লিখিবলৈ বিশেষভাবে অনুপ্ৰেৰণা যোগাইছিল জোনাকীৰ লগতে সমসাময়িক প্ৰকাশিত *'বিজুলী (১৮৯০-৯২), ঊষা (১৯০৭-১৬), বাঁহী (১৯০৯-১৯৩০), আলোচনী (১৯১০-১৭), চেতনা (১৯১৫-২৬), মিলন (১৯২৩), সাধনা (১৯২৮), আসাম হিতৈষী' (১৯৫২)* আদি বিবিধ আলোচনীয়ে। দণ্ডিনাথ কলিতা (১৮৯০-১৯৫৫)ৰ গল্পপুথি *সাতসৰী* (১৯২৫)ত সামাজিক অন্যায় অনাচাৰৰ কাৰণ উদ্‌ঘাটন কৰি পুৰণি কু-সংস্কাৰৰ পৰা মুক্ত হোৱাৰ প্ৰয়াস দেখা যায়। সূৰ্য্যকুমাৰ ভূঞা (১৮৯৪-১৯৬৪)ৰ *'পঞ্চমী'* (১৯২৭) গল্পত ব্যক্তি জীৱনৰ

সুখ-দুখৰ চিত্ৰ ফুটি উঠিছে। মিত্ৰদেৱ মহন্ত (১৮৯৪-১৯৮২)ৰ *‘চন্দ্ৰহাৰ’*নামৰ গল্প পুথিত বিভিন্ন সামাজিক চিত্ৰ প্ৰকাশিত হৈছে। নকুল চন্দ্ৰ ভূঞা (১৮৯৫-১৯৬৮)ৰ গল্পত গাঁৱলীয়া জীৱনৰ বিবিধ চিত্ৰ অংকন কৰিছে। তেওঁ ৰচিত গল্পপুথিসমূহ হ'ল— *‘চোৰাংচোৰাৰ চৰা’*(১৯১৮), *‘জোনোৱালি* (১৯৩৩) আৰু *গল্পৰ শৰাই’*(১৯৬২)। সুপ্ৰতিষ্ঠিত গল্পলেখক লক্ষ্মীনাথ ফুকন (১৮৯৭-১৯৮৫)ৰ গল্পপুথি *‘মালা* (১৯১৮), *ওফাইদাং* (১৯৫২), *মৰমৰ মাধুৰী* (১৯৬১), *আশাত উৎফুল্ল মন* (১৯৬৫) আৰু *আনন্দে নধৰে হিয়া’* (১৯৬৭) ৰচনা কৰে। হেমন্ত কুমাৰ শৰ্মাই *‘অসমীয়া সাহিত্যৰ দৃষ্টিপাত’*ত এওঁৰ গল্পৰ বিষয়ে মতামত দিছে যে —

> ‘এওঁৰ ৰচনাৰীতি অনাড়ম্বৰ যদিও প্ৰাঞ্জল। তেওঁৰ গল্পত আৰ্থিক অনাটনত জুৰুলা লোক আৰু বাহিৰ শূন্য, অন্তঃসাৰশূন্য অভিজাত শ্ৰেণীৰ চৰিত্ৰ বিশেষভাৱে অংকিত হৈছে।’[১৭]

তেওঁৰ ভালেমান গল্পত পীড়িত নিঃস্বজনৰ প্ৰতি কাৰুণ্য, সহানুভূতি প্ৰকাশ পাইছে।

**১.০৩ (খ) আৱাহন (১৯২৯ৰ পৰা ১৯৪০লৈ) যুগ**

১৯২৯ চনত কলিকতাৰ পৰা *‘আৱাহন’*কাকত প্ৰকাশ হোৱাৰ লগে লগে অসমীয়া চুটিগল্পৰ দ্বিতীয় যুগ আৰম্ভ হয়।

> ‘জোনাকী’ৰ মাজেৰে আত্মপ্ৰকাশ কৰা অসমীয়া চুটিগল্পই ৰূপ বস্তু আৰু ভাব বস্তুৰ বৈচিত্ৰ্যৰে আৱাহনৰ পাতত বিস্তাৰ লাভ কৰে।[১৮]

এই যুগৰ গল্পকাৰসকলৰ গল্পত পাশ্চাত্য সাহিত্যৰ চেকভ আৰু মোঁপাছাৰ গল্পৰ প্ৰভাৱে অসমীয়া সাহিত্যিকক ভালকৈ স্পৰ্শ কৰিলে, ফ্ৰয়ডৰ মনস্তত্ত্বৰ প্ৰভাৱো পৰিল, মানুহৰ বাস্তৱ জীৱন আৰু অধিকভাৱে জাৰি-জোকাৰি চাই জীৱন বিশ্লেষণত লেখকসকল ব্ৰতী হ'ল। কাৰ্লমাৰ্ক্স, লেনিন আদিৰ বাস্তৱবাদী চিন্তায়ো অসমীয়া গল্প লেখকসকলৰ গল্পত স্থান পালে। চুটিগল্পত এনে ভাৱধাৰাবোৰ প্ৰৱেশ কৰি এক নতুনত্বৰ ৰূপ প্ৰদান কৰিলে। এইক্ষেত্ৰত সমালোচকে কৈছে --

> ‘বিষয়বস্তুৰ ক্ষেত্ৰ যেন এইদৰে বিয়পি পৰাৰ বাবেই এই সময়ৰ অসমীয়া চুটিগল্পৰ ৰচনা কৌশল অধিক মনোৰম হৈ পৰিল।’[১৯]

অসমীয়া গল্পকাৰ সকলেও এনে নতুন বিষয়বস্তু গ্ৰহণ কৰি গল্প সমূহ ৰচনা কৰিলে। লক্ষ্মীকান্ত মহন্তৰ মতে-

> ‘এই সময়ৰ গল্পবোৰত নতুন শব্দ, নতুন ৰচনাৰীতি প্ৰয়োগ কৰোতে ভাষাও আগতকৈ সমৃদ্ধিশালী হৈ পৰিছে। এই সময়ৰ লেখকসকলৰ ভিতৰত নগেন্দ্ৰ নাৰায়ণ চৌধুৰী, মহীচন্দ্ৰ বৰা, হলীৰাম ডেকা, ৰাধিকামোহন গোস্বামী, লক্ষ্মীধৰ শৰ্মা, ৰমা দাস, বীণা বৰুৱা, ত্ৰৈলোক্যনাথ গোস্বামী, ইন্দিবৰ গগৈ, দীননাথ শৰ্মা, কৃষ্ণ ভূঞা, গোবিন চন্দ্ৰ পৈৰা আদিৰ নাম উল্লেখযোগ্য।’[২০]

নগেন্দ্র নাৰায়ণ চৌধুৰী (১৮৮১-১৯৪৭) আৰাহন যুগৰ এজন উল্লেখযোগ্য গল্পকাৰ। তেওঁৰ গল্প সংকলনকেইখন হ'ল— *'নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ গল্প* (১৯৬৩), *বীণাৰ ঝংকাৰ* (১৯৬৮) আৰু *'নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ গল্প'* (১৯৭৮)। চৌধুৰীৰ গল্পবোৰ ঘাইকৈ পৰিৱেশ প্ৰধান আৰু গাঁৱৰ পটভূমিত ৰচিত। হেমন্ত কুমাৰ শৰ্মাই চৌধুৰীৰ গল্প সম্পৰ্কে মতামত দিছে যে —

'জমিদাৰ নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ গল্পত সমসাময়িক সমাজৰ তিনিটা ৰূপ দেখা যায়।'[২১]

সেইবোৰ হ'ল—

(ক) ইংৰাজ ৰাজত্বৰ জমিদাৰী শাসনত সাধাৰণ মানুহৰ দুৰ্দশা,

(খ) জনজাতীয় জীৱন চিত্ৰ আৰু

(গ) গোৱালপাৰা জিলাৰ সামাজিক জীৱনৰ বাস্তৱ চিত্ৰ।

মহীচন্দ্ৰ বৰা (১৮৯৪-১৯৬৫)ৰ উল্লেখযোগ্য গল্প সংগ্ৰহ হ'ল— *'উকীলৰ জন্মৰহস্য'* (১৯৭০)। এওঁৰ ৰচনাত হাস্যৰস, ব্যংগ ভাব আৰু বাক্‌চাতুৰ্য থকা দেখা যায়। হলীৰাম ডেকা (১৯০০-১৯৬২)ৰ *'ফটোগ্ৰাফাৰ', পৰ্বতৰ টিঙৰ বঙলাঘৰ, সহজ সম্বন্ধ আৰু পৰাজয়'* আদি গল্প লিখাৰ ভংগিমা আৰু হাস্যৰসৰ ইংগিতৰ কাৰণে মনোগ্ৰাহী হৈ উঠিছে। *যোদ্ধাৰী, ৰে বড়ে ভাই* আদি গল্পবোৰ কৰুণতাৰে সিক্ত।

আৰাহন যুগৰ এজন উল্লেখযোগ্য গল্পকাৰ হ'ল ৰাধিকা মোহন গোস্বামী। গোস্বামীৰ গল্পসমূহত বাস্তৱ সমাজৰ প্ৰতিচ্ছবি প্ৰতিফলিত হোৱা দেখা যায়।

'ৰাধিকা মোহন গোস্বামীৰ *নিয়তি, ষ্টেট ট্ৰেন্সপোৰ্ট* আদি গল্পত প্ৰধানকৈ নিম্ন মধ্যবিত্ত সমাজখনৰ সুখ-দুখ, আশা-নিৰাশাৰ কথা ফুটি উঠিছে। আনহাতে তেওঁ তথাকথিত উচ্চ পদবীধাৰী ধনী সম্প্ৰদায়ৰ সমাজখনলৈ বিদ্ৰূপৰ ভাবো ব্যক্ত কৰিছে।'[২২]

উৎকণ্ঠা সৃষ্টিৰ বাবে গল্পৰ আৰম্ভণি আকৰ্ষিত আৰু নাটকীয় হোৱা প্ৰয়োজন। গোস্বামীৰ গল্পত এনে আকস্মিকতা আৰু নাটকীয়তা মন কৰিবলগীয়া।

'আৱাহন'ৰ মাজেৰে প্ৰতিষ্ঠা লাভ কৰা লক্ষ্মীনাথ ফুকন এজন সমাজ সচেতন লেখক। সমাজৰ বাস্তৱ সমস্যা আৰু ব্যক্তি জীৱনৰ দুখ-দুৰ্দশা, হতাশা-নিৰাশা আদি তেওঁৰ গল্পত অতি বাস্তৱধৰ্মী ৰূপত প্ৰকাশ পাইছে। *'ডাক্তৰ, টাইপিষ্টৰ জীৱন'* আদি তেওঁৰ উৎকৃষ্ট গল্প।

লক্ষ্মীধৰ শৰ্মা (১৮৮৯-১৯৩৫)ৰ গল্পত সমাজৰ অধিকাৰ, অত্যাচাৰ, জাতিভেদ, বিধৱাৰ কাৰুণ্য আদি ৰূপায়িত হৈছে। এওঁৰ গল্পপুথি *'ব্যৰ্থতাৰ দান'* (১৯৩৮) ত সন্নিৱিষ্ট 'বিদ্ৰোহিনী'ত

বিধৱাৰ অন্তৰ্দ্বন্দ্ব আৰু *'ছিৰাজ'*ত জাতিভেদ, ধৰ্মভেদৰ লগতে সমন্বয়, সম্প্ৰীতিৰ এনাজৰী দেখুওৱা হৈছে।

আৱাহন যুগৰ আন এজন গল্পকাৰ ৰমা দাশৰ *'ৰমা দাসৰ শ্ৰেষ্ঠ গল্প* আৰু *বৰ্ষা যেতিয়া নামে'* দুখন উল্লেখযোগ্য গল্প সংকলন। এওঁৰ গল্পত বিশেষ দিশ সম্পৰ্কে হেমন্ত কুমাৰ শৰ্মাই কৈছে —

> 'এওঁৰ গল্পত বিশেষকৈ সামাজিক দায়ৱদ্ধতা আৰু গভীৰ জীৱনবোধৰ প্ৰতিচ্ছবি পৰিলক্ষিত হয়। ডেকা-গাভৰুৰ প্ৰেমক কেন্দ্ৰ কৰি মানুহৰ জৈৱিক কামনাৰ সংস্কাৰমুক্ত বিশ্লেষণ অথবা নগৰীয়া মধ্যবিত্তৰ ৰোমাণ্টিক ভাববিলাসিতা আৱেগসঞ্চাৰী প্ৰকাশভংগীৰে তেওঁ দাঙি ধৰিছে। *অচল টকা, অবুজ মায়া, কোন এওঁ নতুন মিৰাণ্ডা* আদি তেওঁৰ শ্ৰেষ্ঠ গল্প।'[২৩]

বীণা বৰুৱাৰ গল্প সংকলন *'পথ পৰিবৰ্তন* (১৯৪৮) আৰু *আঘোণী বাই'* (১৯৫০) দুখনৰ গল্পসমূহত বিশেষকৈ নাৰী জীৱনৰ মানসিক অৱস্থা, আধুনিকাসকলৰ তথাকথিত প্ৰণয় কাহিনী, গ্ৰাম্য জীৱনৰ নিখুঁত চিত্ৰসমূহ অংকন কৰিছে। লীলাৱতী শইকীয়া বৰাই এওঁৰ গল্প সম্পৰ্কে কৈছে যে —

> 'চৰিত্ৰক চৌপাশৰ পৰিবেশৰ পটভূমিত থিয় কৰাই ঘটনা আৰু কাৰ্যৰ মাজেৰে দ্বন্দ্ব উপস্থিত কৰাত আৰু তাৰ যোগেদি মানসিক অৱস্থাৰ আভাস দিব পৰাতে বীণা বৰুৱাৰ কৃতিত্ব।'[২৪]

এই যুগৰে আন এগৰাকী গল্পকাৰ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ *'জ্যোতি সাতসৰী'* গল্প সংকলনৰ গল্পবোৰতো সমাজৰ বিভিন্ন দিশসমূহ অংকিত হোৱা দেখা যায়।

ত্ৰৈলোক্য নাথ গোস্বামী (১৯০৬-১৯৮৮)ৰ দ্বাৰা ৰচিত গল্পপুথিকেইখন হ'ল— *'অৰুণা* (১৯৪৮), *মৰীচিকা* (১৯৫৮), *শিল্পীৰ জন্ম* (১৯৫৮) আৰু *জীৱনৰ জীয়া জুই'* (১৯৭০) এইকেইখন গল্পপুথিত সন্নিৱিষ্ট গল্পকেইটাত সমাজৰ বিভিন্ন স্তৰৰ মানুহৰ চৰিত্ৰ অংকন কৰিবলৈ যত্ন কৰা হৈছে। গোস্বামীৰ গল্প সম্পৰ্কে লীলাৱতী শইকীয়া বৰাই মন্তব্য কৰিছে যে —

> 'সমাজৰ অৱহেলিত নিপীড়িত, দৰিদ্ৰ নাৰী-পুৰুষৰ কৰুণ কাহিনী গল্পসমূহত চিত্ৰিত কৰা হৈছে। ত্ৰৈলোক্য নাথ গোস্বামীৰ গল্পত ৰাজনৈতিক আৰু অৰ্থনৈতিক সমস্যাই ভুমুকি মাৰি অসমীয়া চুটিগল্পৰ বিষয়বস্তুৰ ক্ষেত্ৰখন বহল কৰি তুলিছে।'[২৫]

তেওঁৰ *'দৰিদ্ৰৰ বিননি, জাৰজ, বিধৱা, পতিত আৰু পতিতা'* আদি গল্পত অসমীয়া বিধৱাৰ বেদনা মূৰ্ত হৈ উঠিছে। *'কণ্ট্ৰোলৰ চেনি, দুটকীয়া নোট'* আদি গল্পত দ্বিতীয় মহাযুদ্ধৰ পিছত দেখা দিয়া সমাজৰ দুৰ্নীতিৰ চিত্ৰ সুন্দৰভাবে দেখুওৱা হৈছে।

দীননাথ শৰ্মাৰ গল্প সংকলনকেইখন হ'ল— *'কল্পনা আৰু বাস্তৱ, দুলাল, কোৱা ভাতুৰীয়া*

*ওঁঠৰ তলত, পোহৰ'* আদি। তেওঁৰ গল্পবোৰত প্ৰণয় কাহিনীৰ লগতে মানসিক অন্তৰ্দ্বন্দ্ব ফুটি উঠিছে।

কৃষ্ণ ভূঞাৰ প্ৰকাশিত গল্প সংকলন হ'ল— *'ফুল আৰু জাৱৰ'*

*'ফুল আৰু জাৱৰ*(১৯৮৮) গাঁও আৰু নগৰৰ পটভূমিত লিখা গল্পসমূহ প্ৰায়েই ৰোমাণ্টিক ভাবধাৰাৰ। কৃষ্ণ ভূঞাৰ *যাদুঘৰ*গল্পটোও অসমীয়া চুটিগল্পৰ ভিতৰত এটা সাৰ্থক তথা ৰসোত্তীৰ্ণ গল্প।[২৬]

*'যাদুঘৰ'* গল্পটোত স্ত্ৰী-পুৰুষ উভয়ৰে মনস্তত্ত্বৰ ওপৰত সমান গুৰুত্ব লক্ষ্য কৰা যায়।

উমাকান্ত শৰ্মা ৰচিত *'ঘূৰণীয়া পৃথিৱীৰ বেঁকা পথ* আৰু *উকা এটি মন'* (১৯৭৮) দুখন গল্প সংকলন পোৱা যায়। তেওঁ ৰচিত গল্পবোৰত প্ৰায়বোৰ গল্পই মনোবিশ্লেষণধৰ্মী মানুহৰ মানসিক দ্বন্দ্ব, আশা-নিৰাশাৰ প্ৰতিচ্ছবি আদি পোৱা যায়।

প্ৰেম নাৰায়ণ দত্ত ৰচিত গল্পপুথি হ'ল— *'হে হৰি সাৰশূন্য, আদি ৰসৰ উৎপত্তি আৰু আশীৰ্বাদ'*। এওঁৰ গল্পবোৰ বিশেষকৈ হাস্যৰস প্ৰধান যদিও *'আশীৰ্বাদ, বহ্বাৰম্ভে, গঙাটোপ'* আদি গল্পত সমাজৰ তথাকথিত ধনী আৰু শিক্ষিত সমাজক ব্যংগ কৰা হৈছে।

হেম বৰুৱা ৰচিত গল্পপুথিসমূহ হ'ল— *'চপনীয়া, নৱগ্ৰহ* আৰু *মোৰ ঘৰখন'*। এওঁৰ গল্পত মনোবিশ্লেষণ, মানসিক দ্বন্দ্ব, আশা-নিৰাশাৰ প্ৰতিচ্ছবি প্ৰতিফলিত হৈছে।

তীৰ্থ নাথ শৰ্মাই *'নিৰ্মলা দেৱী'* ছদ্মনামত কেইবাটাও গল্প *'আৱাহন'*ত প্ৰকাশ কৰিছিল। এইসকল গল্প লেখকৰ উপৰিও আৱাহন যুগৰ উল্লেখযোগ্য কেইগৰাকীমান গল্প লেখক, লেখিকা হ'ল— হৰিপ্ৰসাদ গোৰ্খাৰায়, ৰায়হান শ্বাহ, লীনা দেৱী, সুপ্ৰভা গোস্বামী, মুনীন বৰকটকী, প্ৰবোধ চন্দ্ৰ গোস্বামী, জমিৰুদ্দিন আহমেদ, পদ্মেশ্বৰ বৰঠাকুৰ, ইত্যাদি। এওঁলোকৰ দ্বাৰা ৰচিত বিভিন্ন গল্প *'আৱাহন'*ত প্ৰকাশ পাইছিল।

### **১.০৩ (গ) যুদ্ধোত্তৰ যুগ বা ৰামধেনু যুগ (১৯৪০ৰ পৰা ১৯৭০লৈ)**

১৯৩৯ চনৰ পৰা ১৯৪৫ চনলৈ দ্বিতীয় মহাসমৰ চলে। দ্বিতীয় বিশ্বযুদ্ধৰ তাণ্ডৱলীলাই পৃথিৱীৰ অন্য দেশৰ দৰে ভাৰতবৰ্ষকো কঁপাই তোলে। বিশ্বযুদ্ধৰ ফলত দেশৰ আৰ্থিক, সামাজিক, নৈতিক আদি সকলো দিশতেই নামি আহে অস্থিৰতা। ফৰাচী বিপ্লৱৰ দৰে বিয়াল্লিছৰ গণ আন্দোলনেও অস্থিৰতাত ইন্ধন প্ৰদান কৰে। যুদ্ধৰ ফলত কাগজ-পত্ৰৰ অভাৱে আলোচনী, পত্ৰিকা আদি বন্ধ হোৱাৰ উপক্ৰম হয়। কিন্তু পিছত লাহে লাহে আকৌ প্ৰচলন হ'বলৈ ধৰে। এই বিষয়ে অৰবিন্দ ৰাজখোৱাই কৈছে যে -

'যুদ্ধৰ পাছত লাহে লাহে সুস্থিৰ অৱস্থা ঘূৰি অহাত আকৌ আলোচনীবোৰ প্ৰকাশ হ'বলৈ ধৰে। এই সময়ছোৱাত প্ৰকাশিত আলোচনীবোৰৰ ভিতৰত জয়ন্তী, সুৰভি, পছোৱা, সৌমাৰজ্যোতি, মিনাৰ, ৰামধেনু আদি প্ৰধান।'[২৭]

অসমীয়া চুটিগল্পৰ তৃতীয় স্তৰটো আৰম্ভ হয় যুদ্ধোত্তৰ বা ৰামধেনু যুগত। দ্বিতীয় বিশ্বযুদ্ধৰ আৰম্ভণিৰ লগে লগে আৱাহন যুগটোৰ সামৰণি পৰিল আৰু অসমীয়া চুটিগল্পই যুদ্ধোত্তৰ যুগত আংগিকৰ দিশৰ পৰা যথেষ্ট সমৃদ্ধিশালী হৈ উঠিল।

১৯৫১ চনত প্ৰকাশিত *'ৰামধেনু'* আলোচনীয়ে অসমীয়া চুটিগল্পৰ বিকাশ সমৃদ্ধি আৰু জনপ্ৰিয়তাত বিশেষ অৰিহণা যোগাইছিল। *'ৰামধেনু'ৰ* প্ৰথম সম্পাদক হ'ল— মহেশ্বৰ নেওগ। *'জয়ন্তী'*(১৯৪০) আলোচনীয়েই প্ৰথমতে *'আৱাহন'ৰ* ধাৰাৰ পৰা ফালৰ কাটি আহিছিল। ৰামধেনুৱে সেই নতুন ধাৰাটোক গতিশীলতা দান কৰি এক শক্তিশালী ৰূপ প্ৰদান কৰিলে। 'ৰামধেনু'ৰ চুটিগল্পই নতুন ৰূপ লোৱাৰ প্ৰধান কাৰণ হ'ল— দ্বিতীয় বিশ্বযুদ্ধ আৰু ভাৰতৰ স্বাধীনতা আন্দোলন, যুদ্ধৰ ফলত সৃষ্টি হোৱা সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আদিৰ অৱক্ষয়, সাম্প্ৰদায়িক সংঘৰ্ষ, সামাজিক আৰু নৈতিক মূল্যবোধত ভাঙোন, অভাৱ-অনাটন আৰু যান্ত্ৰিকতাৰ প্ৰতিফলন আদিয়েই মানুহৰ চিন্তা জগতত এক বৃহৎ পৰিবৰ্তন আনিলে। এই পৰিৱৰ্তনৰ বতাহ সাহিত্য, সংস্কৃতিৰ জগতখনতো পৰিল। পাশ্চাত্য সাহিত্যৰ প্ৰভাৱেও এই যুগৰ চুটিগল্পলৈ বহুখিনি নতুনত্ব আনি দিলে।

'পাশ্চাত্যৰ সমাজবাদ, বাস্তৱবাদ, মনস্তাত্ত্বিক, অৱস্থিতিবাদ, অভিব্যক্তিবাদ, অতিবাস্তৱবাদ, চেতনাস্ৰোত আদি ভাৱধাৰা এই কালৰ চুটিগল্পক বৈচিত্ৰ্যপূৰ্ণ কৰি তুলিলে।'[২৮]

এই যুগত বিভিন্ন জনে গল্প ৰচনা কৰি গল্প সাহিত্যৰ ভঁৰাল চহকী কৰিছে। এওঁলোকৰ অৱদানে এই যুগটোক উল্লেখযোগ্য কৰি তুলিছে। এই সম্পৰ্কে লীলাৱতী শইকীয়া বৰাই উল্লেখ কৰিছে যে -

'ৰামধেনু' যুগত প্ৰতিষ্ঠা লাভ কৰা গল্পকাৰসকল হ'ল— চৈয়দ আব্দুল মালিক, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, যোগেশ দাস, মহিম বৰা, সৌৰভ কুমাৰ চলিহা, ভবেন্দ্ৰ নাথ শইকীয়া, হোমেন বৰগোহাঞি, চন্দ্ৰপ্ৰসাদ শইকীয়া, স্নেহ দেৱী, লক্ষ্মীনন্দন বৰা, নিৰুপমা বৰগোহাঞি, নিৰোদ চৌধুৰী, অতুলানন্দ গোস্বামী, শীলভদ্ৰ, মামণি ৰয়ছম গোস্বামী, নগেন শইকীয়া, নীলিমা শৰ্মা, অনিমা দত্ত, প্ৰবীণা শইকীয়া, গোবিন্দ প্ৰসাদ শৰ্মা, কুমুদ গোস্বামী, অপূৰ্ব শৰ্মা, ভদ্ৰেশ্বৰ ৰাজখোৱা, ৰিজু হাজৰিকা, যতীন বৰা আদি।'[২৯]

যুদ্ধোত্তৰ যুগৰ গল্পকাৰসকলৰ ভিতৰত চৈয়দ আব্দুল মালিকৰ নাম পোনতেই ল'ব লাগিব। কাৰণ ৰামধেনু যুগত অইন গল্পকাৰতকৈ মালিকৰ গল্পই সৰহ আৰু জনপ্ৰিয়। এওঁৰ বেছিভাগ গল্প প্ৰণয়ক কেন্দ্ৰ কৰি লিখা যদিও তাৰ যোগেদি নৈতিক শিক্ষা দিয়াৰো প্ৰচেষ্টা দেখা যায়। সমাজৰ

অৱহেলিত, পীড়িতজনৰ প্ৰতি তেওঁৰ সহানুভূতি প্ৰকাশ পোৱাও দেখা যায়। *'সিওঁ মৰিল, এঘণ্টাৰ ডায়েৰী'*আদি গল্প ইয়াৰেই প্ৰমাণ। *'ৰঙাগড়া, বীভৎস বেদনা'* আদি গল্পত হিন্দু-মুছলমানৰ সংঘৰ্ষৰ কু-পৰিণাম দেখুৱাইছে। মালিকৰ উল্লেখযোগ্য গল্পপুথিসমূহ হ'ল—

*'পৰশমণি* (১৯৪৬), *ৰঙাগড়া* (১৯৫০) *মৰহা পাপৰি* (১৯৫৪), *মৰম মৰম লাগে* (১৯৬১), *এজনী নতুন ছোৱালী* (১৯৬২), *শিলা আৰু শিখা* (১৯৬২), *শিখৰে শিখৰে* (১৯৬৩), *ছয় নম্বৰ উত্তৰ* (১৯৬৮), *বহুত বেদনা এটোপা চকুলো* (১৯৮৫) *প্ৰাণাধিকা, অস্থায়ী* আৰু *অন্তৰা'* আদিকৈ তেওঁৰ ভালেকেইখন গল্পপুথি প্ৰকাশ পাইছে।

এওঁৰ গল্পৰ বিষয়ে লীলাৱতী শইকীয়া বৰাই কৈছে যে -

> 'এওঁৰ গল্পবোৰৰ বিষয়বস্তু বিচিত্ৰ। ৰোমাণ্টিক স্বপ্ন আৰু নৰ-নাৰীৰ যৌন সম্পৰ্কৰ বিশ্লেষণৰ পৰা আৰম্ভ কৰি সামাজিক বাস্তৱতা, মনস্তাত্ত্বিক বিশ্লেষণলৈকে বিভিন্ন বিষয় তেওঁৰ গল্পই সামৰি লৈছে।'[৩০]

কুৰি শতিকাৰ আদি ভাগত জাৰ্মান সাহিত্যত যি ৰোমাণ্টিক বাস্তৱবাদৰ ধাৰা গঢ় লৈ উঠিছিল মালিকৰ বিভিন্ন গল্পৰ মাজেৰে সাহিত্যৰ সেই ধাৰাটো শক্তিশালী হৈ উঠিছে।

ৰামধেনু যুগৰ আন এজন গল্পকাৰ হ'ল— বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য। তেওৰ গল্প সংকলন দুখন হ'ল— *'কলং আজিও বয়* (১৯৬২) আৰু *সাতসৰী* (১৯৬৩)। *এজনী জাপানী ছোৱালী, মাকনৰ গোসাঁই'* আদি তেওঁৰ বিখ্যাত গল্প। তেওঁৰ গল্পবোৰত বিশেষকৈ তদানীন্তন সামাজিক, ৰাজনৈতিক অৱস্থাৰ লগতে মানুহৰ অমানুষিকতা, বিধৱা নাৰীৰ মানসিক দৃঢ়তা আদি সুন্দৰভাৱে ফুটি উঠিছে।

যোগেশ দাস ৰচিত গল্প সংকলনকেইখনমান হ'ল— *'পপীয়া তৰা* (১৯৫৭), *আন্ধাৰৰ আঁৰে আঁৰে* (১৯৫৯), *হাজাৰ লোকৰ ভিৰ, মদাৰৰ বেদনা* (১৯৬৩), *পৃথিৱীৰ অসুখ'* (১৯৭৯) আদি। দাসৰ *'কলপটুৱাৰ মৃত্যু'* নামৰ গল্পটিত মানুহৰ মনস্তাত্ত্বিক বিশ্লেষণ প্ৰকাশিত হোৱা দেখা যায়। তেওঁ ৰচিত *'গৰাখহনীয়া'*গল্পটোত বানপীড়িত দুৰ্ভগীয়া ছোৱালী এজনীৰ ব্যৰ্থ প্ৰেমৰ কৰুণ কাহিনী আছে।

যোগেশ দাসৰ গল্প সম্পৰ্কে হেমন্ত কুমাৰ শৰ্মাই কৈছে যে —

> 'দাসৰ গল্পত গাঁও আৰু নগৰৰ সাধাৰণ মানুহৰ সুখ-দুখ, সংকট আৰু সমস্যাৰ সৰল, বাস্তৱধৰ্মী কাহিনী উপস্থাপন হোৱা দেখা যায়। নিৰলংকাৰ সৰল বাক্‌ভংগী যোগেশ দাসৰ প্ৰধান বৈশিষ্ট্য।'[৩১]

*কাঠনিবাৰীৰ ঘাট* প্ৰণেতা ৰামধেনু যুগৰ বিশিষ্ট গল্পকাৰ মহিম বৰাৰ উল্লেখযোগ্য গল্পপুথিসমূহ হ'ল— *'কাঠনিবাৰীৰ ঘাট* (১৯৬১), *বহুভুজী ত্ৰিভুজ* (১৯৬৭), *মই পিপলি আৰু পূজা* (১৯৬৭), আৰু *ৰাতি ফুলা ফুল'* (১৯৭৭) । পৰিবেশ সৃষ্টি এওঁৰ গল্পৰ অন্যতম বৈশিষ্ট্য। মহিম বৰাৰ অধিকাংশ

গল্প গ্ৰাম্য জীৱনভিত্তিক। ঘটনা উপযোগী বাস্তৱ পৰিবেশ সৃষ্টি, কাব্যিক ব্যঞ্জনা, গভীৰ জীৱনবোধ, বৰাৰ গল্পৰ উল্লেখযোগ্য বৈশিষ্ট্য। *'কাঠনিবাৰীৰ ঘাট, টোপ, এখন নদীৰ মৃত্যু, অনেক ভোমোৰা, কেঐা আঙুলি'* আদি তেওঁৰ উৎকৃষ্ট গল্প।

মানুহৰ মনস্তাত্বিক দিশটো বিশ্লেষণত সিদ্ধহস্ত হোমেন বৰগোহাঞি এজন সফল গল্পকাৰ। *'বিভিন্ন কোৰাছ*(১৯৫৭), *প্ৰেম আৰু মৃত্যুৰ কাৰণে*(১৯৫৮), *বিভিন্ন নৰক, গল্প আৰু নক্সা, অস্তিত্বৰ জ্যোতিৰ্ময় চেতনা'* আদি তেওঁৰ উল্লেখযোগ্য গল্প পুথি। তেওঁৰ ভাষা যেনে শক্তিশালী গল্পৰ কাহিনীও তেনে মনোবিশ্লেষণধৰ্মী, বিশেষকৈ ফ্ৰয়েডৰ মন সমীক্ষণ ৰীতিৰ প্ৰভাৱ তেওঁৰ গল্পত স্পষ্ট। তেওঁ সমাজৰ ঘৃণিত আৰু অৱহেলিত লোকৰ উগ্ৰতাক কেন্দ্ৰ কৰি ভালেমান চৰিত্ৰ অংকন কৰিছে।

ৰামধেনু যুগৰ এগৰাকী ব্যতিক্ৰমধৰ্মী অননুকৰণীয় গল্পকাৰ হ'ল— সৌৰভ কুমাৰ চলিহা। বিষয়বস্তুৰ নিৰ্বাচন প্ৰকাশভংগীৰ অভিনৱত্ব তেওঁৰ গল্পৰ অন্যতম বৈশিষ্ট্য। তেওঁৰ উল্লেখযোগ্য গল্প সংকলন হ'ল— *'অশান্ত ইলেক্ট্ৰন*(১৯৬২), *দুপৰীয়া*(১৯৬৩), *এহাত ডাবা, গোলাম*(১৯৭৩) আৰু *গল্প নহয়'*আদি। তেওঁ ৰচিত গল্পবোৰত বুদ্ধিনিষ্ঠতা, মনস্তাত্বিক বিশ্লেষণ আৰু প্ৰকাশভংগীৰ বৈশিষ্ট্য মন কৰিবলগীয়া। আধুনিক নগৰকেন্দ্ৰিক জীৱনৰ নিসংগতা, বিচ্ছিন্নতা আৰু অন্তঃসাৰশূন্যতা আদি বিষয় অতি কৌশলেৰে তেওঁৰ গল্পত প্ৰকাশ কৰিছে। *'এহাত ডাবা'*গল্পটোত কাফকাৰ প্ৰভাৱ মন কৰিবলগীয়া।

ৰামধেনু যুগত আত্মপ্ৰকাশ কৰা এজন উল্লেখযোগ্য গল্পকাৰ হ'ল— লক্ষ্মীনন্দন বৰা। তেওঁৰ উল্লেখযোগ্য গল্পপুথিসমূহ হ'ল— *'সেই সুৰে উতলা* (১৯৬১), *গৌৰী ৰূপক* (১৯৬১), *অচিন কন্যা*(১৯৬৫), *দৃষ্টি ৰূপা, মন মাটি মেঘ, কঠিন মায়া, কাচিয়লীৰ কুঁৱলী*(১৯৬৫), *মাজত তৃষাৰ নৈ'* (১৯৬৭) আদি। তেওঁৰ গল্পবোৰত গাঁও আৰু চহৰৰ জীৱন যাত্ৰাৰ বিভিন্ন পৰিবেশৰ চিত্ৰণ দেখা যায়। বৰাৰ অধিকাংশ গল্পতেই কৃষিজীৱী সমাজ জীৱনৰ জটিলতা, অথচ এনে জটিলতাৰ মাজতো জীৱনৰ সৌন্দৰ্যৰ সন্ধান আদি সুন্দৰকৈ প্ৰকাশ পাইছে। তেওঁৰ *'সখা দামোদৰ'*এটি সুন্দৰ গল্প।

শীলভদ্ৰৰ গল্পত সমকালীন সমাজৰ শোষক, শাসক আৰু ভণ্ড শ্ৰেণীটোক ব্যংগ কৰা হৈছে। তেওঁৰ গল্পত কাহিনীৰ বিপৰীতে বিভিন্ন চৰিত্ৰৰ সমাবেশত একোখনি ঠাই একোজন মানুহৰ জীৱনৰ মহত্ব প্ৰকাশ কৰিবলৈ চেষ্টা কৰা হৈছে। তেওঁৰ *'মধুপুৰ বহুদূৰ, শীলভদ্ৰৰ কুৰিটা গল্প'* আদি গল্পপুথি তাৰেই প্ৰমাণ।

ৰামধেনু যুগৰ এজন সাৰ্থক গল্পকাৰ হ'ল ভবেন্দ্ৰ নাথ শইকীয়া। তেওঁৰ গল্পপুথিসমূহ হ'ল— *'প্ৰহৰী* (১৯৬৩), *গহ্বৰ* (১৯৬৯), *সেন্দূৰ* (১৯৭০), *শৃংখল* (১৯৭৩), *তৰংগ'* (১৯৭৯)

আদি। ভবেন্দ্ৰ নাথ শইকীয়াৰ গল্প সমূহে এক নতুনত্বও বহন কৰা দেখা যায়। তেওঁৰ গল্পৰ ৰচনাৰ শৈলীয়ে এক অনন্য স্থান গ্ৰহণ কৰিছে। এওৰ গল্প সম্পৰ্কে লীলাৱতী শইকীয়া বৰাই কৈছে যে -

'সৰু সৰু ঘটনা পৰিস্থিতিক জীৱন্ত ৰূপ দিয়াৰ কৌশল চমৎকাৰিতাপূৰ্ণ। তেওঁৰ ভাষাও নিমজ।'[৩২]

তেওঁৰ গল্পৰ অননুকৰণীয়, বৰ্ণনাভংগীত মোপাঁচাৰ আৰু জীৱনৰ আত্মিক উপলব্ধিত চেকভৰ প্ৰভাৱ দেখা যায়।

চন্দ্ৰপ্ৰসাদ শইকীয়াৰ গল্পত সমাজৰ বিবিধ সমস্যা, মানৱতাবোধ আৰু আদৰ্শ লক্ষ্য কৰা যায়। তেওঁৰ গল্পপুথিসমূহ হ'ল— *'মায়ামৃগ, নাচপতি ফুল, আৰু চক্ৰৱৎ'*। নাটকীয়তা তেওঁৰ প্ৰায়বোৰ গল্পৰে এটি বিশেষ গুণ। ভাব-ঘটনা আৰু ফলশ্ৰুতিৰ ঐক্য অটুট ৰাখি তেওঁ জীৱনৰ ভাসমান মুহূৰ্তৰ মাজেদি ব্যাপক জীৱনৰ সন্ধান দিবলৈ সমৰ্থ হৈছে।

ৰামধেনু যুগৰ গল্পকাৰ নিৰোদ চৌধুৰীৰ গল্প সংকলনসমূহ হ'ল— *'মোৰ গল্প, অংগে অংগে শোভা, বহে পূৰধৈয়া, নিশিগন্ধা* (১৯৬৬), *হংসমিথুন* (১৯৭৬) আৰু *নিৰোদ চৌধুৰীৰ নিৰ্বাচিত গল্প'* (১৯৮৩) আদি। এওঁৰ গল্পৰ সামান্য বিষয় একোটিক নিটোল ৰূপ প্ৰদান কৰা দেখা যায়। চৌধুৰীৰ কোনো কোনো গল্পত মনোবিশ্লেষণ আৰু ৰোমাণ্টিক ভাবৰ প্ৰাচুৰ্য মন কৰিবলগীয়া।

পদ্ম বৰকটকী এই যুগৰ আন এজন উল্লেখযোগ্য গল্পকাৰ। এখেতৰ উল্লেখযোগ্য গল্প সংকলন হ'ল- *'অশ্লীল, ৰীতাৰ প্ৰেম আৰু বিয়াৰ প্ৰথম নিশা'* আদি। এওঁৰ গল্পত সাধাৰণতে সামাজিক অবিচাৰ আৰু যৌন বিষয়ক কথাবোৰ চিত্ৰিত হোৱা দেখা যায়।

ৰামধেনু যুগত আত্মপ্ৰকাশ কৰা আন এজন গল্পকাৰ হ'ল ৰোহিণী কুমাৰ কাকতি। তেওঁৰ গল্পত যুদ্ধোত্তৰ যুগৰ ভাবানুভূতিয়েই মূৰ্ত হৈ উঠিছে। ভাষাও সহজ সৰল।

তেওঁৰ ভাষা ব্যৱহাৰত মিতব্যয়িতা নাই কাৰণে একোটা চৰিত্ৰক সম্পূৰ্ণভাবে অংকন কৰিবলৈ যথেষ্ট মুহূৰ্তৰ প্ৰয়োজন হৈছে, ফলত তেওঁৰ গল্পবোৰ প্ৰায়ে দীঘলীয়া আৰু জীৱনৰ সৰু সৰু অনেক বিষয়েৰে পৰিপূৰ্ণ।[৩৩]

তেওঁৰ উল্লেখযোগ্য গল্পপুথি হ'ল— *'এজাক এন্ধাৰ'*।

বৃহত্তৰ অসমীয়া সমাজখনৰ লগত নিবিড়ভাবে জড়িত হৈ আছে অসমত বসবাস কৰা জনজাতিসকল। মেদিনী চৌধুৰীয়ে তেওঁৰ গল্পত অসমৰ জনজাতি লোকসকলৰ জীৱনধাৰা, সহজ-সৰল গ্ৰাম্য জনজীৱনৰ মহত্ত্ব আৰু সৌন্দৰ্যক এক বিশেষ ধৰনেৰে উপস্থাপন কৰিছে।

ওপৰত উল্লেখ কৰা উল্লেখযোগ্য গল্পকাৰ সকলৰ উপৰিও ৰামধেনু যুগত গল্প ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰা আন কেইজনমান গল্পকাৰৰ বিষয়ে তলত চমুকৈ আলোচনা

কৰা হ'ল—

ৰামধেনু যুগৰ এগৰাকী উল্লেখযোগ্য গল্পকাৰ ৰিজু হাজৰিকা। তেওঁৰ গল্প সংকলনসমূহ হ'ল— *'লাজ* (১৯৬৭), *মৰমৰ চন্দনা* (১৯৬৯), *ৰূপচেতনা* (১৯৭০), *সণ্ঢালনি* (১৯৭০), *কলিৰ কুন্তী* (১৯৮০), *ডাঙৰ মামী* (১৯৮৩) আৰু *মন সাগৰৰ ঢৌ'* (১৯৮৮) ইত্যাদি। ইমৰান শ্বাহৰ *'পিয়ামুখ চন্দা, বন্দী বিহংগমে কান্দে'* আদি উল্লেখযোগ্য গল্প সংকলন। বসন্ত কুমাৰ ভট্টাচাৰ্যৰ *'প্ৰতিবাদ* (১৯৭৪), *বোধনি* (১৯৭৫), *অৱৰোধ* (১৯৭৯), *এটি নিশাৰ বাতৰিৰে* (১৯৮১), *আকাশ আজিও নীলা* (১৯৮৩), *দুষ্ট প্ৰজাপতি* (১৯৮৬), *গ্ৰহণ'* (১৯৮৮) আদি ৰামধেনু যুগৰ উল্লেখযোগ্য গল্প সংকলন। পৰাগ কুমাৰ ভট্টাচাৰ্যই *'দূষিত দেহৰ সুবাস* (১৯৭২), *যুগপতন* (১৯৭৬), *ভগ্নছবি* (১৯৮২), *হৃদয়ৰ সন্ধান* (১৯৮৩) আৰু *দ্বিতীয় তথাগত'* (১৯৯০) আদি গল্পপুথি ৰচনাৰে ৰামধেনু যুগটোক সমৃদ্ধিশালী কৰিছিল। দুৰ্গেশ্বৰ শৰ্মাৰ গল্পপুথিসমূহ হ'ল— *'কন্যাপক্ষ* (১৯৭৪), *চেনিমাই* (১৯৭৬), *বনলতাৰ অশ্ৰু'* (১৯৮৮)। হেমন্ত কুমাৰ শৰ্মাৰ ৰচিত গল্পপুথিসমূহ হ'ল— *'স্মৃতিৰ পলাশ* (১৯৭৯), *সেই মালাধাৰি* (১৯৮১), *ৰাখী বন্ধন* (১৯৮৩), *সন্ধ্যাৰাগ'* (১৯৮৮) আদি। অতুলানন্দ গোস্বামী ৰচিত গল্পপুথি *'হামদৈ পুলৰ জোন, ৰাজপাট'* আদি। কুমুদ গোস্বামীৰ *'দুৱাৰ',* যতীন গোস্বামীৰ *'অলপ মেঘ'* (১৯৬২), *'ধূলি হে ধূলি'* (১৯৬৮), বীৰেশ্বৰ বৰুৱাৰ *'প্ৰথম ৰাগিনী, বন হৰিণী',* প্ৰণৱজ্যোতি ডেকাৰ *'কৈলাসনাথ'* (১৯৭১), অৰুণ গোস্বামীৰ *'প্ৰতিপদৰ জোন, মুক্তিস্নান'*। ইব্ৰাহীম আলিৰ *'পুৱতি নিশাৰ অনামী তৰা'* আদি গল্পপুথিৰ উপৰিও ৰবীন চৌধুৰী, যদু বৰপূজাৰী, মনোজ কুমাৰ শৰ্মা, গোবিন্দ প্ৰসাদ শৰ্মা, হেমকান্ত ভূঞা, কালীপ্ৰসাদ গোস্বামী, ভুবনমোহন দাস, বীৰেন্দ্ৰ লহকৰ, সতীশ চৌধুৰী, সমীন কলিতা আদি ৰামধেনু যুগৰ উল্লেখযোগ্য গল্পকাৰ।

ৰামধেনু যুগৰ ব্যতিক্ৰমধৰ্মী আনজন গল্পকাৰ হৈছে অপূৰ্ব শৰ্মা। শৰ্মাই চেতনাস্ৰোত ধাৰাৰ গল্প ৰচনা কৰি আধুনিক অসমীয়া চুটিগল্পৰ ইতিহাসত এখনি বিশিষ্ট স্থান অধিকাৰ কৰে। অৰবিন্দ ৰাজখোৱাৰ ভাষাত --

> 'শৰ্মাই ঘাইকৈ ব্যক্তিৰ মনোদ্বন্দ্বকে গল্পৰ উপজীব্য কৰি ল'লেও কথনভংগীত সৌৰভ কুমাৰ চলিহাৰ বেগী ভাষাৰ সাদৃশ্যতা থাকিলেও একোটা আনুভূতিক উপলব্ধিৰ প্ৰকাশৰ গুৰুত্ব দি আহিছে।'[৩৪]

তেওঁ ৰচিত উল্লেখযোগ্য গল্প সংকলন হ'ল— *'বন্ধুৰ পথত কেইজনমান ডেকা মানুহ'* ।

পঞ্চাশৰ পৰা সত্তৰৰ দশকৰ ভিতৰত কেইবাগৰাকী লেখিকাই ভিন্নধৰ্মী গল্পৰে ৰামধেনু যুগৰ গল্প সাহিত্য সমৃদ্ধ কৰিছিল। এই উল্লেখযোগ্য মহিলা গল্পকাৰ সকলৰ ৰচনাত বিশেষকৈ নাৰীৰ

বিভিন্ন দিশ উন্মোচিত হৈছে। এই বিষয়ে লীলাৱতী শইকীয়া বৰাই তেওঁৰ *'ভাষা সাহিত্য বিচিত্ৰা'*ত কৈছে যে -

> 'সেইসকলৰ ভিতৰত অন্যতম হৈছে স্নেহ দেৱী, নিৰুপমা বৰগোহাঞি, মামণি ৰয়ছম গোস্বামী, সুপ্ৰভা গোস্বামী, প্ৰবীণা শইকীয়া, অনিমা দত্ত, নীলিমা শৰ্মা আদি। এইকেইগৰাকী লেখিকাৰ গল্পত শিক্ষিতা-অশিক্ষিতা বিভিন্ন নাৰী চৰিত্ৰৰ মাজেৰে নাৰীৰ মনোজগতৰ বিভিন্ন দিশ উন্মোচিত হৈছে।'[৩৫]

নাৰীকেন্দ্ৰিক লেখিকা স্নেহ দেৱীৰ গল্প সংকলনসমূহ হ'ল— *'কৃষ্ণা দ্বিতীয়াৰ জোনাক* (১৯৫৮), *স্নেহ দেৱীৰ গল্প* (১৯৬৬), *স্নেহ দেৱীৰ শ্ৰেষ্ঠ গল্প* (১৯৮১) আৰু *স্নেহ দেৱীৰ একুঁকি গল্প'* (১৯৮৮)। এওঁৰ গল্পত সাধাৰণতে সংস্কাৰধৰ্মী মনোভাৱ আৰু তুচ্ছজনৰ অন্তৰৰ উচ্চতা আৰু বিশালতা প্ৰদৰ্শন কৰিবলৈ যত্ন কৰা দেখা যায়।

উপন্যাস আৰু চুটিগল্পক সাহিত্য চৰ্চাৰ মাধ্যম হিচাপে লোৱা নিৰুপমা বৰগোহাঞিৰ গল্পত আছে সমকালীন সমাজ সমালোচনা আৰু মধ্যবিত্ত শ্ৰেণীৰ জীৱন যন্ত্ৰণাৰ ছবি। বিশেষকৈ আধুনিক শিক্ষিতা নাৰীৰ মানসিক দ্বন্দ্ব তেওঁৰ গল্পত সুন্দৰকৈ প্ৰকাশ পাইছে। তেওঁৰ উল্লেখযোগ্য গল্পপুথি হ'ল— *'অনেক আকাশ, জননীৰ সন্ধানত, এজন ডেকা মানুহ আৰু খিৰিকী কাষৰ গছ'*ইত্যাদি।

জ্ঞানপীঠ বঁটা বিজয়ী ঔপন্যাসিক, গল্পকাৰ মামণি ৰয়ছম গোস্বামী এগৰাকী ৰামধেনু যুগৰ উল্লেখযোগ্য গল্পকাৰ। তেওঁ ৰচিত উল্লেখযোগ্য গল্পপুথিসমূহ হ'ল— *'চিনাকি মৰম* (১৯৬২), *কইনা* (১৯৬৬), *মামণি ৰয়ছম গোস্বামীৰ স্বনিৰ্বাচিত গল্প* (১৯৯৮), *মামণি ৰয়ছম গোস্বামীৰ প্ৰিয় গল্প'* (১৯৯৮) আদি। ইয়াৰ উপৰিও প্ৰেমচান্দৰ গল্প আৰু মালয়ালম গল্পৰ অনুবাদো কৰিছিল। তেওঁৰ গল্পবোৰত বিশেষকৈ নাৰী-পুৰুষৰ প্ৰেম, প্ৰেমৰ পৰিণতি, আৰু সন্তানহীন বিধৱা নাৰীৰ মানসিক যন্ত্ৰণাৰে কৰুণ মধুৰ ছবি অংকন কৰিছে, মুঠতে তেওঁৰ গল্পবোৰ গভীৰ জীৱনবোধ সম্পৃক্তযুক্ত, গোস্বামীৰ গল্পত নাৰী মনস্তত্ত্বৰ লগতে নাৰী মুক্তিৰ চেতনা মানৱতাবাদী দৃষ্টিভংগীৰে ৰূপায়িত হৈছে। চৰিত্ৰ আৰু পৰিস্থিতিৰ লগত খাপ খোৱা শক্তিশালী ভাষাৰ প্ৰয়োগ তেওঁৰ গল্পৰ অন্যতম বৈশিষ্ট্য।

অনিমা দত্তৰ ৰচিত গল্পপুথি দুখন *'বেলিফুলৰ সপোন* আৰু *কাঞ্চনজংঘা'*। তেওঁ ষাঠিৰ দশকত গল্প লিখিবলৈ আৰম্ভ কৰিছিল। ৰামধেনু যুগৰ গল্পকাৰসকলৰ দৰে বাস্তৱবাদী দৃষ্টিভংগীও আছিল। কিশোৰী, যুৱতী, সধবা, বিধৱা নাৰী আৰু বৃদ্ধা আদি বিভিন্ন স্তৰৰ নাৰী চৰিত্ৰৰ মাজেৰে তেওঁ নাৰী জীৱনৰ বিভিন্ন দিশ ফুটাই তোলাৰ লগতে নাৰী মনস্তত্ত্বৰো সুন্দৰ প্ৰকাশ ঘটাইছে। গাম্ভীৰ্য্যপূৰ্ণ শুৱলা ভাষাই অনিমা দত্তৰ গল্পক মোহনীয় ৰূপ দিছে।

প্ৰবীণা শইকীয়াই ৰামধেনু যুগতেই গল্প লিখিবলৈ আৰম্ভ কৰিছিল। তেওঁৰ *'চিত্ৰ তুৰগ'* এখন চুটিগল্প সংকলন। উপন্যাস আৰু গল্পৰ মাজেৰে সৃষ্টিশীল প্ৰতিভাৰ পৰিচয় দিয়া প্ৰবীণা শইকীয়াৰ গল্প ঘাইকৈ কাহিনীমূলক। পৰিণতিমুখী উৎকণ্ঠা সৃষ্টিৰ কাহিনী বিন্যাস কৰিব পৰাটো তেওঁৰ গল্পৰ বিশেষ গুণ। এই বিষয়ে *'ভাষা সাহিত্য বিচিত্ৰা'*ত উল্লেখ আছে যে -

> 'তেওঁৰ বিশেষত্ব দৰ্শন ভিত্তিত ভিন্ন জাতীয় বাস্তৱানুগ বিষয়ৰ কাব্যিক ব্যঞ্জনাৰে সমৃদ্ধ কৰিব পাৰে। ভ্ৰষ্টাচাৰৰ প্ৰতি বিদ্ৰোহ তেওঁৰ গল্পবোৰত অন্তৰ্নিহিত হৈ থাকে।'[৩৬]

এইকেইগৰাকীৰ উপৰিও আৰু ভালেকেইগৰাকী মহিলা গল্পকাৰে ৰামধেনু যুগক সমৃদ্ধশালী কৰিছিল। গল্পকাৰ কেই গৰাকীৰ নাম আৰু কৃতিসমূহ নিম্নোক্ত ধৰণৰ --

নীলিমা শৰ্মাৰ *'অন্যসূঁতি, আলিমুন্নিছা পিয়াৰৰ 'মাজনিশা তৰাই উচুপে,* (১৯৫৯), *জীৱনৰ সাগৰত উপকূল নাই'* (১৯৫৯)। সুপ্ৰভা গোস্বামীৰ *'লুইতৰ মোহ'* (১৯৮৯)। হিৰণ্ময়ী দেৱীৰ *'নিয়ৰ টোপাল'*। প্ৰীতি বৰুৱাৰ *'নিৰৰ্থক'*, গীতা হাতী কাকতিৰ *'এখন আকাশৰ তলত* (১৯৭৭), *আৰু পালছিগা নাও'* (১৯৯০) আদি ৰামধেনু যুগৰ উল্লেখযোগ্য মহিলা গল্পকাৰ আৰু তেওঁলোকে ৰচিত গল্প সংকলন।

এই মহিলা লেখিকাসকলৰ ৰচিত গল্পবোৰত নাৰীৰ মানসিক জগতখনৰ লগতে নাৰীৰ বিভিন্ন আশা-আকাংক্ষা, সমস্যা আদিৰ উপৰিও প্ৰেম, যৌনতা আদিও সুন্দৰকৈ প্ৰকাশ পাইছে। ৰামধেনু যুগতেই হাস্য-ব্যংগ খুহুতীয়া গল্প ৰচনাই এই যুগক এক নতুনত্ব দান কৰিছে। এই যুগৰ অসমীয়া গল্প সাহিত্যই অসমীয়া সাহিত্যৰ বুৰঞ্জীত নিঃসন্দেহে এখন উচ্চ আসন লাভ কৰাৰ যোগ্যতা অৰ্জন কৰিছে। এই সময়ছোৱাত যেনেকৈ ভালেমান গল্প লেখক ওলাইছে, তেনেকৈ গল্প সাহিত্যয়ো বিষয়বস্তু আৰু প্ৰকাশ ভংগীৰ সপৰীক্ষাৰ মাজেদি আগবাঢ়ি গৈছে। বহু গল্পকাৰৰ ৰচনাত পাশ্চাত্য প্ৰভাৱো লক্ষ্য কৰা যায়। মুঠতে এই যুগৰ গল্পকাৰসকলৰ উৎকৃষ্ট গল্পসমূহ ৰামধেনুৰ পাততেই প্ৰকাশ পাইছে। ৰামধেনু যুগটো অসমীয়া গল্প সাহিত্যৰ বাবে এক গৌৰৱময় যুগ।

**১.০৩ (ঘ) সাম্প্ৰতিক যুগ (১৯৭০ৰ পৰা বৰ্তমানলৈ)**

কুৰি শতিকাৰ শেষৰ তিনিটা দশক সাম্প্ৰতিক যুগ বুলি কোৱা হৈছে। এই যুগৰ গল্প সাহিত্যই এক নতুন আৱিস্কাৰৰ যুগ আৰু পৰিবৰ্ত্তনৰ ইংগিত বহন কৰিছে --

> 'আৱাহন' আৰু 'ৰামধেনু' যুগৰ দৰে এই যুগটোৰ সাহিত্যৰ গতি পৰিবৰ্তনত বিশেষ অৰিহণা যোগাইছিল আৰু ভাৰতীয় ৰাজনীতিৰ ব্যক্তিকেন্দ্ৰিক ভোগবাদৰ চৰিত্ৰই।[৩৭]

তদুপৰি পাশ্চাত্য সাহিত্যত ইতিমধ্যে দেখা দিয়া প্ৰতীকবাদ, চিত্ৰকল্পবাদ অস্তিত্ববাদ,

অভিব্যক্তিবাদ, অতি বাস্তৱবাদ, প্ৰকৃতিবাদ, জ্ঞানবাদ, চেতনা প্ৰৱাহ আদি ভাবধাৰাৰ অসমীয়া সাহিত্যলৈও প্ৰবজন ঘটিল।

বাংলাদেশৰ স্বাধীনতা আন্দোলনত ভাৰতৰ সহযোগৰ ফলত ঘাইকৈ অসমত সৃষ্টি হোৱা অৰক্ষয়, সাংস্কৃতিক ভাবুকি, অস্তিত্ব ৰক্ষাৰ আন্দোলন, জৰুৰী অৱস্থা আদিয়ে কুৰি শতিকাৰ শেষৰ দশক তিনিটাক হতাশাগ্ৰস্ত কৰি তুলিছিল আৰু এনে হতাশাগ্ৰস্ততাই অসমীয়া লেখকসকলক সমাজ ৰাজনৈতিক দৃষ্টিকোণ এটা দান কৰিছিল।

> '১৯৭০ৰ পাছৰ অসমীয়া চুটিগল্পত দেশৰ অৰ্থনৈতিক দুৰাৱস্থা, বিভিন্ন শ্ৰেণীৰ শোষকৰ চৰিত্ৰাংকন, জনতাক শোষণ মুক্তিৰ বাবে প্ৰতিবাদী কৰি তোলাৰ প্ৰচেষ্টা দৃষ্টিগোচৰ হয়।'[৩৮]

সাম্প্ৰতিক যুগত ভালেসংখ্যক গল্পকাৰৰ আৱিৰ্ভাব হয়। এইসকলৰ দুই-এজন ৰামধেনু যুগতেই গল্প লিখিবলৈ আৰম্ভ কৰিছিল। গল্পৰ বিষয়বস্তু আৰু ৰূপবস্তুৰ বিশিষ্টতাৰ ফালৰ এই যুগৰ উল্লেখযোগ্য কেইগৰাকীমান সাৰ্থক গল্পকাৰ হ'ল— অৰুণ গোস্বামী, অৰূপা পটংগীয়া কলিতা, উদয়াদিত্য ভৰালী, দেৱব্ৰত দাস, পূৰবী তামুলী, পূৰবী বৰমুদৈ, মনোজ কুমাৰ গোস্বামী, ইমৰান হুছেইন আদি। সামাজিক দায়বদ্ধতা এই যুগৰ গল্পকাৰসকলৰ এটি মন কৰিবলগীয়া বিশেষত্ব। এই বিষয়ে প্ৰহ্লাদ কুমাৰ বৰুৱাই কৈছে যে -

> 'ভাৱ, বিষয়বস্তু, ৰূপ বিন্যাস আৰু কলা-কৌশলৰ বিভিন্ন দিশৰ পৰা এই যুগৰ অসমীয়া চুটিগল্প ক্ৰমে পৰম্পৰাগত ধাৰাটোৰ পৰা আঁতৰি আহিছে আৰু নতুন শৈলীৰে অসমীয়া চুটিগল্পৰ ইতিহাসত এক নতুন যুগৰ সূচনা কৰিবলৈ সমৰ্থ হৈছে।'[৩৯]

সাম্প্ৰতিক যুগৰ কেইজনমান গল্পকাৰৰ গল্পচৰ্চাত সমসাময়িক অশান্তজৰ্জৰ অসমৰ প্ৰতিচ্ছবি দেখিবলৈ পোৱা যায়। তেওঁলোক হ'ল— দিলীপ বৰা, ডাঃ শুভ্ৰকিংকৰ গোস্বামী, মণিকা দেৱী, মৃণাল কলিতা, অৰবিন্দ ৰাজখোৱা, টুন জ্যোতি গগৈ আদি।

সাম্প্ৰতিক গল্পকাৰকেইজনমানৰ গল্পত অসমৰ ঐতিহ্যপূৰ্ণ গ্ৰাম্য সমাজৰ ভেটি কিদৰে খহনীয়াত পৰিণত হৈছে তাৰ সুন্দৰ বৰ্ণনা পোৱা যায়। সেইসকল গল্পকাৰ হ'ল— হৰেকৃষ্ণ ডেকা, কুল শইকীয়া, মনোৰমা দাস মেধি, বিতোপন বৰবৰা, জয়ন্ত মাধৱ বৰা, জয়ন্ত কুমাৰ চক্ৰৱৰ্তী, শিৱানন্দ কাকতি আদি।

বৰ্তমান যুগত মৃত্যু কিদৰে সহজ আৰু সুলভ হৈ পৰিছে, কিদৰে এচাম অবিৱেকী মানুহৰ আক্ৰোশৰ বলি হ'বলগা হৈছে, সাম্প্ৰতিক সময়ত বন্দুকৰ গুলীৰ আগত কিদৰে নিৰপৰাধী লোকৰ মৃত্যু ঘটিছে সেইবোৰ অনুৰাধা শৰ্মা পূজাৰীৰ *'চিকাৰ'*, জ্যোতি শিকদাৰৰ *'হত্যা'*, বিতোপন বৰবৰাৰ

*'মৃগয়া'* আদি গল্পত সুন্দৰভাবে দাঙি ধৰিছে। সন্ত্ৰাসবাদক কেন্দ্ৰ কৰি মনোৰমা দাস মেধিয়ে লিখা *'বিস্ফোৰণৰ পিছত'* এটি সুন্দৰ গল্প।

অসমৰ গোষ্ঠীগত সংঘৰ্ষৰ ওপৰত ৰচিত জয়ন্ত কুমাৰ চক্ৰৱৰ্তীৰ *'সংগমত এসাঁতোৰ',* ৰত্না ভৰালী তালুকদাৰৰ *'দখনাৰ আৰৰৰ এটি গল্প আপোনালৈ',* আব্দুল চামাদৰ *'কুৰুক্ষেত্ৰৰ আখৰা'* নামৰ গল্প সংকলনকেইখনৰ কেবাটাও গল্পত এনে সংঘৰ্ষৰ প্ৰতিচ্ছবি দেখা যায়। গল্পবোৰত গোষ্ঠী সংঘৰ্ষৰ ভয়াৱহ প্ৰতিচ্ছবিৰ লগতে অসমত বসবাস কৰা বিভিন্ন জাতি-জনগোষ্ঠীৰ সাতামপুৰুষীয়া ঐক্য-সংহতিত ধৰা ভাঙোনমুখিতাৰ প্ৰতিচ্ছবি প্ৰতিফলিত হৈছে।

নগৰীয়া সভ্যতাৰ ঐন্দ্ৰজালিক মায়াই আকৰ্ষিত কৰাৰ ফলত গ্ৰাম্য জীৱনলৈ নমি অহা জটিলতা, পংকিলতা আদি মনালিছা শইকীয়াৰ গল্পত প্ৰতিফলিত হৈছে।

আধুনিক জীৱনৰ নিসংগতাবোধৰ প্ৰতিচ্ছবি মনোজ কুমাৰ গোস্বামী, অনুৰাধা শৰ্মা পূজাৰীৰ গল্পত সুন্দৰকৈ প্ৰতিফলিত হোৱা দেখা যায়।

অসম আন্দোলনৰ পৰৱৰ্তী সময়ৰ অসমৰ সমাজ জীৱনৰ কৰুণ অথচ সঁচা চিত্ৰবোৰ প্ৰশান্ত ৰাজগুৰুৰ *'হিপু হিপু হাত, অন্তৰংগ আলাপত, মাছুদ আহমদ',* পদ্মপাণি মহন্তৰ *'জন্ম ৰহস্য, অস্বস্তিকৰ মুহূৰ্ত'* আদি গল্পবোৰত প্ৰতিফলিত হোৱা দেখা যায়।

দুটা প্ৰজন্মৰ সংঘাতৰ প্ৰতিচ্ছবি, বৃদ্ধ মানুহৰ নিসংগতাবোধ, পৰিয়ালৰ অৱহেলাৰ পাত্ৰ হোৱা পৰিস্থিতি আদি মনোৰমা দাস মেধিৰ *'সপোনৰ সোণাৰু',* ভৃংগেশ্বৰ শৰ্মাৰ *'ফটো',* ৰাজেন্দ্ৰ শৰ্মাৰ *'প্ৰাতঃভ্ৰমণ',* নৰনীতা গগৈৰ *'দাহ',* প্ৰশান্ত কুমাৰ দাসৰ *'মায়া',* অপু ভৰদ্বাজৰ *'এটা অংক আৰু এজন বুঢ়া মানুহ'* আদি অনেক মননশীল গল্পত পৰিস্ফুত হৈছে।

এনেদৰে সাম্প্ৰতিক কালৰ চুটিগল্পবোৰত বিভিন্ন বাস্তৱ আৰু সত্য পৰিস্থিতিক উদ্ভাসিত কৰাৰ চেষ্টা গল্পকাৰসকলৰ মাজত দেখা যায়। গল্পকাৰৰ ভিন্নতাৰ দৰে সমসাময়িক সামাজিক দৃশ্যপটৰো ভিন্নতা আছে। সাম্প্ৰতিক কালৰ গল্পকাৰসকল বৰ্তমান জটিল বাস্তৱতাৰ কথাবোৰ অতি কৰুণভাবে গল্পবোৰত বৰ্ণিত কৰিছে।

অসমীয়া চুটিগল্পৰ ইতিহাস বিশ্লেষণ কৰি জানিব পাৰি যে যুগৰ লগত খাপ খাই আহি আহি আজিৰ ৰূপ গ্ৰহণ কৰিছে। মানৱ জীৱনৰ বাস্তৱ সন্মত ঘটনাসমূহ চুটিগল্পত স্থান পোৱা হেতুকে এনে সাহিত্যিই মানুহক আকৰ্ষিত কৰিব পৰাৰ লগতে জনপ্ৰিয়তাও লাভ কৰিছে।

## ১.০৪ ৰামধেনু যুগৰ চুটিগল্প আৰু স্নেহ দেৱীৰ জীৱন দৰ্শন

বাস্তৱ জীৱনৰ অভিজ্ঞতাসমূহ জানি অথবা নজনাকৈ ৰচিত সাহিত্যত প্ৰৱেশ কৰে। স্নেহ দেৱী আছিল ৰামধেনু যুগৰ গল্পকাৰ। ৰামধেনু যুগটো আছিল বাস্তৱমুখী। সেয়ে স্নেহ দেৱী ৰচিত গল্পসমূহত নিজৰ জীৱনৰ লগত খাপ খোৱা বিভিন্ন ঘটনা গল্পসমূহত সোমাই পৰা দেখা যায়। এই উপ-অধ্যায়টোত স্নেহ দেৱীয়ে প্ৰতিনিধিত্ব কৰা ৰামধেনু যুগটোৰ আভাস প্ৰদান কৰাৰ প্ৰয়োজন বোধৰ লগতে তেওঁৰ জীৱন দৰ্শন গল্পসমূহত কেনেধৰণে প্ৰতিফলিত হৈছে সেই বিষয়বোৰ আলোচনা কৰিবলৈ যত্ন কৰা হ'ল।

*'ৰামধেনু'* আলোচনীক কেন্দ্ৰ কৰি আধুনিক অসমীয়া সাহিত্যত এক নৱ চেতনা বা নতুন দৃষ্টিভংগীৰ উন্মেষ ঘটিল। এইখন আলোচনীয়ে চুটিগল্প, কবিতা, প্ৰবন্ধ সাহিত্য আদি সকলো দিশতেই এক নতুনত্ব আনি দিলে। নবীন আৰু অত্যুৎসাহী এচাম লেখকৰ প্ৰতিভা আৰু নিৰলস প্ৰচেষ্টাৰ সহায়ত অসমীয়া সাহিত্যত 'ৰামধেনু যুগ' বুলি অভিহিত কৰিব পৰা এটা নতুন যুগৰ সূচনা হয়। ৰামধেনুৰ আটাইতকৈ ডাঙৰ সৃষ্টি হ'ল এক শ্ৰেণীৰ নতুন গল্পকাৰৰ জন্মদান। কিছুমানে 'আৱাহন'ৰ পৃষ্ঠপোষকতাত ৰসাস্বাদন কৰিলেও পৰিপক্কতা লাভ কৰে 'ৰামধেনু'ৰ জৰিয়তে। এই গল্পকাৰসকলক বিশেষকৈ পাশ্চাত্যৰ এড্‌গাৰ এলেন পো, মোপাঁছা, চেখভ আদিৰ আদৰ্শই বিশেষভাৱে প্ৰভাৱিত কৰিছিল।

এই যুগতেই অসমীয়া চুটিগল্পই পূৰ্ণ বিকশিত ৰূপ লাভ কৰে। ইয়াৰ লিখনিবোৰৰ জৰিয়তেই অসমীয়া সাহিত্যলৈ আধুনিকতাৰ এক নতুন সুঁতি বৈ আহিছিল। হোমেন বৰগোহাঞিৰ ভাষাত—

> 'ৰামধেনু যুগৰ আধুনিক সাহিত্য বুলিলে এহাতে সমসাময়িক বিশ্বৰ ৰাজনৈতিক, অৰ্থনৈতিক চেতনাৰে আমাৰ সমাজৰ জনগণৰ সমস্যাৰ প্ৰতিফলন কৰা, মানুহৰ অন্তৰ্জগতৰ যথোপযুক্ত পৰিচয়েৰে সমকালীন ব্যক্তিসত্বাক ফুটাই তোলা সাহিত্যকে বুজা হৈছিল।'[৪০]

এই যুগৰ লেখকসকলৰ ৰচনাত বিশেষকৈ সৰল বৰ্ণনাতকৈ বিশ্লেষণাত্মক বৰ্ণনা, বাহিৰা জগতৰ ঘটনাতকৈ অন্তঃজগতৰ ঘটনা, মানুহৰ মানসিক সংঘাত আদি প্ৰতিফলিত হৈছিল। ফ্ৰয়েডীয়, মাৰ্ক্সীয় দৰ্শন আদিয়ে প্ৰভাৱিত কৰাৰ ফলত তেওঁলোকৰ গল্পবোৰতো ইয়াৰ প্ৰভাৱ পৰিছিল। ৰামধেনুৰ নতুন ভাবধাৰাকে সাৰোগত কৰি এচাম নতুন লেখক-লেখিকাৰ জন্ম হোৱা কথা হোমেন বৰগোহাঞিয়ে আকৌ সুন্দৰভাৱে উল্লেখ কৰিছে এইদৰে—

> 'পঞ্চাশৰ দশকত 'ৰামধেনু'ৰ নিচিনা এখন আলোচনী নোহোৱা হ'লে আৰু বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ দৰে যুগমানস সচেতন নোহোৱা হ'লে আলোচনীখনিত অসমীয়া সাহিত্যত নতুন সৃষ্টিধৰ্মী পৰীক্ষা-নিৰীক্ষাৰ

সূচনা হ'লহেঁতেন নে নাই সেই বিষয়ে সন্দেহ প্ৰকাশ কৰাৰ অৱকাশ আছে।'[৪১]

*'ৰামধেনু'*ত বিশেষকৈ কবিতা আৰু চুটিগল্পই জনপ্ৰিয়তা লাভ কৰিছিল। ইয়াৰ লিখনিসমূহত বিশেষকৈ যুক্তিবাদ আৰু বাস্তৱতাক প্ৰাধান্য দিয়া হৈছিল। এই বিষয়ে আনন্দ বৰমুদৈয়ে কৈছে—

'ৰামধেনুৰ লিখকসকলে আলোচনীখনক অসমীয়া পাঠকসকলৰ বাবে আন্তৰ্ৰাষ্ট্ৰীয় দেশসমূহৰ সাহিত্যৰ লগত পৰিচিত হ'ব পৰাকৈ উপযুক্ত মাধ্যম হিচাপে গঢ় দিছিল, যিখনে তেওঁলোকৰ মনৰ দিগন্তও প্ৰসাৰিত কৰিছিল।'[৪২]

*'ৰামধেনু'*ৰ গল্পসমূহত সমাজ জীৱনৰ চিত্ৰ অংকিত হৈছে। সমাজৰ পৰম্পৰাগত আচাৰ, ৰীতি-নীতি, বিশ্বাস, উৎসৱ-পাৰ্বণ আদি সুন্দৰ ৰূপত অংকিত হোৱা দেখা যায়। এই যুগত গল্পই বিশেষ পৰিপক্কতা লাভ কৰা দেখা যায়। গল্পৰ ভাববস্তু আৰু কলা-কৌশলৰ পৰিসৰ বহল হৈছিল আৰু সমাজবাদী, মনস্তাত্ত্বিক, অস্তিত্ববাদী আদি বিভিন্ন ভাবধাৰাৰ প্ৰভাৱে চুটিগল্পক বৈচিত্ৰ্যময় কৰি তুলিছিল।

ৰামধেনু যুগতেই অসমীয়া চুটিগল্পই পৰিপূৰ্ণতা আৰু পৰিপক্কতা লাভ কৰা বাবেই এই যুগটোক অসমীয়া চুটিগল্পৰ সোণালী যুগ বুলি আখ্যা দিব পাৰি। এই যুগৰ লেখকসকলক মহাযুদ্ধৰ প্ৰভাৱে ৰোমাণ্টিক চেতনাৰ প্ৰতি আগ্ৰহহীন কৰি তুলিলে আৰু পৰম্পৰাগত ধ্যান-ধাৰণাৰ পৰা আঁতৰি আহি একেবাৰে বাস্তৱবাদী হৈ পৰিল। গল্পকাৰসকলো অধিক সমাজ সচেতন হ'ল। স্বৰাজোত্তৰ কালত মধ্যবিত্ত সমাজত দেখা দিয়া ক্ষয়িষ্ণু জীৱনৰ প্ৰতিও তেওঁলোক সজাগ হ'ল। মনোবৈজ্ঞানিক চিন্তা-ধাৰাৰে পৰিপুষ্ট হৈ জীৱন যৌৱনৰ বিশ্লেষণ চলালে। মুঠতে এই যুগৰ গল্পকাৰসকলৰ বিচিত্ৰ উদ্ভাৱন শক্তি, গভীৰ বিশ্লেষণ দক্ষতা তীব্ৰ যুগ সচেতনতা আৰু সামাজিক দায়বদ্ধতাৰ পৰশত গল্পসমূহ ঐশ্বৰ্যশালী হৈ উঠিছিল। সেয়ে অসমীয়া চুটিগল্পৰ ক্ষেত্ৰত *'ৰামধেনু'*ৰ অৱদানক স্বীকাৰ কৰিবই লাগিব।

স্নেহদেৱীৰ গল্পবোৰত প্ৰতিফলিত হোৱা জীৱন দৰ্শন সম্পৰ্কে তলত আলোচনা কৰা হ'ল- স্নেহদেৱীয়ে ৰামধেনুৰ ছত্ৰছায়াতেই সাহিত্য চৰ্চা কৰিবলৈ লৈছিল। তেখেতৰ ৰসাল গল্পসমূহে পাঠক সমাজক সাহিত্যৰ একেবাৰে ওচৰ চপাই আনিছিল। সেয়েহে ৰামধেনু যুগৰ এইগৰাকী লেখিকাই যথেষ্ট সংখ্যক গল্পৰে অসমীয়া চুটিগল্পক চহকী কৰি থৈ গৈছে।

স্নেহ দেৱীয়ে ৰচনা কৰা গল্পবোৰৰ মাজেৰে গভীৰ জীৱনবোধ, বাস্তৱৰ জীয়া ছবি, সমস্যাজৰ্জৰ মানৰ চৰিত্ৰ, গ্ৰাম্য জীৱনৰ সুখ-দুখ, হৰ্ষ-বিষাদৰ বাস্তৱ চিত্ৰ ৰূপায়িত হৈছে। লেখিকাৰ সহজ-সৰল ভাষা বৰ্ণনাই গল্পবোৰক মধুৰ কৰি তুলিছে। গভীৰ সংবেদনশীলতাই পাঠকক গল্পবোৰৰ একেবাৰে ওচৰ চপাই আনে। আধুনিক গল্প সাহিত্যৰ সকলোবোৰ কলা-কৌশল, উপাদান তেওঁৰ

গল্পত বিদ্যমান।

এখেতৰ গল্পবোৰ পঢ়িলে মানসপটত ভাহি উঠে একোখন জীয়া ছবি। মানুহৰ জীৱনৰ কৰুণ কাতৰ যন্ত্ৰণা, অভাৱ, অনাটন, পীড়ন, শোষণ, দুখ-দ্বন্দ্বৰে জৰ্জৰিত এক বাস্তৱ ছবি। তেখেতৰ গল্পৰ চৰিত্ৰবোৰে কাৰোবাক উপকাৰ কৰাৰ বিনিময়ত পাইছে অপবাদ, দৰিদ্ৰতাৰ সুযোগ লৈ কাৰোবাক চৰিত্ৰ হননৰ চেষ্টা কৰা, নগৰীয়া সভ্যতাই গ্ৰাম্য জীৱনধাৰালৈ কঢ়িয়াই অনা দৰিদ্ৰতা, মানুহৰ জীৱনৰ অন্বেষণ, জীৱনৰ সূক্ষ্ম বিশ্লেষণ আদি সুন্দৰভাবে উপস্থাপন হৈছে।

স্নেহ দেৱীয়ে বিশেষকৈ নাৰী হৃদয়ৰ সূক্ষ্মতম অনুভূতিৰ সুৰ ব্যঞ্জিত কৰাৰ চেষ্টা দেখা যায়। মনস্তাত্ত্বিক বিশ্লেষণেৰে মানুহৰ হৃদয়ৰ জটিলতা উপলব্ধি কৰিবলৈ যত্ন কৰাৰ লগতে নাৰী চৰিত্ৰৰ স্নেহ, ভালপোৱা, ঈৰ্ষা, বিদ্বেষ আদি চিৰন্তন সত্যবোৰ প্ৰতিফলিত কৰিবলৈ চেষ্টা কৰিছিল। এই ক্ষেত্ৰত সমালোচকে কৈছে যে -

> 'পাৰিবাৰিক অভিজ্ঞতাৰ সবল প্ৰকাশ স্নেহ দেৱীৰ গল্পৰ এক বৈশিষ্ট্য। এওঁৰ বেছিভাগ গল্পত মুখ্য ভূমিকা গ্ৰহণ কৰিছে নাৰী চৰিত্ৰই। সেয়ে নাৰী মনস্তত্ত্ব, জৈৱিক বাসনা, নাৰী-পুৰুষৰ স্বাভাৱিক সম্পৰ্কৰ জটিলতা আৰু সংশয়, মতানৈক্য, পাৰিবাৰিক সংঘাত, সন্দেহ, আদিৰ প্ৰতিফলন দেখা যায়।'[৪৩]

স্নেহ দেৱীৰ গল্পৰ চৰিত্ৰবোৰ সমাজৰ বাস্তৱ চৰিত্ৰ। গল্পৰ কাহিনী, চৰিত্ৰ বিচাৰি তেখেতে হাহাকাৰ কৰিবলগীয়া হোৱা নাই। তেখেতৰ ওচৰে-পাজৰে থকা তেওঁ লগ পোৱা বিভিন্ন মানুহেই গল্পবোৰৰ চৰিত্ৰ। সহজ-সৰল গাঁৱলীয়া মানুহ বা সৰু নগৰ-চহৰৰ সহজ-সৰল মানুহবোৰেই তেওঁৰ গল্পৰ কেন্দ্ৰীয় চৰিত্ৰ। স্নেহ দেৱীৰ তদানীন্তন সমাজখনত কৃত্ৰিমতা কমেই আছিল। গাঁৱৰ সহজ-সৰল হোজা মানুহবোৰৰ অন্তৰো সহজ-সৰল আছিল। তেখেতৰ প্ৰায়ভাগ গল্পত গ্ৰাম্য সহজ-সৰল মানুহৰ চৰিত্ৰ বিশ্লেষণ দেখা যায়। গ্ৰাম্য জীৱনৰ বাস্তৱ চিত্ৰ প্ৰকাশত স্নেহ দেৱী সিদ্ধহস্ত আছিল বুলি ক'ব লাগিব। তেখেতৰ বেছিভাগ গল্পতেই গ্ৰাম্য জীৱনৰ চিত্ৰ বাংময় ৰূপত প্ৰকাশিত হৈছে।

স্নেহ দেৱীয়ে ৰামধেনুৰ জৰিয়তে আত্মপ্ৰকাশ কৰে যদিও গল্পৰ ভাববস্তু আৱাহন যুগৰ গল্পকাৰসকলৰ ভাব-ৰীতিৰহে ওচৰ চপা। পৰাগ কুমাৰ ভট্টাচাৰ্যৰ ভাষাত—

> 'স্নেহদেৱীৰ গল্পৰ বৰ্ণনা ভঙ্গী সৰল। কিন্তু সময়ে সময়ে ভাৱ-প্ৰণতাৰ প্ৰকাশ এইবোৰ দেখা যায়, গল্প লেখিকাই নতুনত্বহীন বিষয়বস্তুকে নিজস্ব ভঙ্গীৰে সুন্দৰকৈ প্ৰকাশ কৰিছে।'[৪৪]

স্নেহ দেৱীৰ গল্পবোৰত নাৰী চৰিত্ৰ বিশ্লেষণেই প্ৰধান বিশেষত্ব হ'লেও সংস্কাৰকামী মনোভাৱো প্ৰতিফলিত হোৱা দেখা যায়। তেওঁৰ গল্পৰ নাৰী চৰিত্ৰসমূহ সাধাৰণতে কোমল অন্তৰৰ, বহল মনৰ

আৰু সৰল চৰিত্ৰৰ হোৰা পৰিলক্ষিত হয়। গল্পসমূহত বিপথগামী নাৰী চৰিত্ৰসমূহকো গল্পকাৰৰ সংবেদনশীল মনোভাৱে আকৌ শুদ্ধ পথলৈ টানি আনিছে। বিপথগামী মানুহৰ প্ৰতি তুচ্ছ-তাচ্ছিল্য গল্পসমূহত নাই। এয়া হয়তো গল্পকাৰৰ সহানুভূতিশীল আৰু সংবেদনশীল মনোভাৱৰেই পৰিচয়।

স্নেহ দেৱীয়ে সেই সময়ৰ সামাজিক পৰম্পৰা অনুসৰি অতি কম বয়সতে পঢ়া-শুনা সামৰি বৈবাহিক জীৱনেৰে সংসাৰৰ গধুৰ দায়িত্ব মূৰ পাতি ল'ব লগা হৈছিল। তেখেতৰ ডাক্তৰ স্বামী খুবেই ব্যস্ত লোক আছিল। স্বামীৰ সান্নিধ্য কম পোৱা হেতুকে তেখেতে বিভিন্ন কিতাপ-পত্ৰ, আলোচনী, কাকত আদি পঢ়ি সময়ৰ সদব্যৱহাৰ কৰিছিল। তদুপৰি তেখেতৰ স্বামীৰ ওচৰলৈ অহা বিভিন্ন স্থানৰ বিভিন্ন ৰোগীৰ লগত মনৰ কথা আদান-প্ৰদানৰ সুবিধা পাইছিল। বিভিন্নজনৰ দুখৰ মৰ্মকথাবোৰে তেখেতৰ হৃদয় বিগলিত কৰি তুলিছিল। সেইবোৰৰ পৰাই পাইছিল গল্পৰ সমলবোৰ। তেনে এক পৰিবেশতে গল্প লিখিবলৈ মনত প্ৰেৰণাও পাইছিল।

স্নেহদেৱীৰ যুগ্মজীৱনো কাৰুন্যৰে ভৰা। প্ৰথম দুটি সন্তানক হেৰুৱাই তেওঁ হতাশাত ভাগি পৰিছিল। সন্তানক হেৰোৱা বেদনাৰ মাজতো সকলো দুখ পাহৰিবলৈ যত্ন কৰি হাতত কলম তুলি লৈছিল আৰু মানুহৰ কাহিনী ৰচনা কৰিবলৈ যত্ন কৰিছিল। ভগৱানৰ প্ৰতি অসীম বিশ্বাস আৰু ভক্তি, জীৱনৰ প্ৰতি খোজতেই ওতপ্ৰোতভাৱে জড়িত হৈ আছিল। জীৱনৰ শেষ মুহূৰ্তলৈকে সাহিত্য কৰ্ম কৰি যোৱা এইগৰাকী মহান লেখিকাৰ জীৱনত অধ্যয়ন আৰু সাহিত্য কৰ্মই যেন জীৱনৰ মূলমন্ত্ৰ আছিল। বাংলা ভাষা তেওঁ পঢ়িব আৰু ক'ব পাৰিছিল। সেইবাবেই বাংলা ভাষাৰ আলোচনী *'প্ৰবাসী', 'বিচিত্ৰা', 'দেশ'* আদি অধ্যয়ন কৰাৰ উপৰিও বংকিমচন্দ্ৰ মুখোপাধ্যায়, শৰৎ চন্দ্ৰ চেটাৰ্জী, আশাপূৰ্ণা দেৱী, ৰবীন্দ্ৰ নাথ ঠাকুৰ, অনুসূয়া দেৱী আদি বিখ্যাত লেখকসকলৰ সাহিত্যৰ ঘাই অনুৰাগী আছিল। সেই সময়ৰ অসমীয়া আলোচনী, *'অৰুনোদই', 'বাঁহী', 'আৱাহন', 'ৰামধেনু', 'সৌমাৰজ্যোতি', 'পচোৱা', 'পূৰ্বাকাশ', 'উষা', 'ৰহিমলা'* আদিৰো তেওঁ অনুৰক্ত আছিল। এই আলোচনীৰ প্ৰভাৱেই তেওঁক সাহিত্য সৃষ্টিৰ অনুপ্ৰেৰণা যোগাইছিল।

তদানীন্তন অসমীয়া সমাজখনৰ লগত তেওঁ ওতপ্ৰোতভাবে জড়িত আছিল। অসমীয়া সমাজৰ বিভিন্ন উৎসৱ-পাৰ্বণ, ৰীতি-নীতি, পৰম্পৰা, বিহু উৎসৱ, বিবাহ আদি অসমীয়া লোকজীৱনৰ পৰম্পৰাসমূহ তেওঁৰ কলমত মূৰ্ত হৈ উঠা দেখা যায়।

বিভিন্ন গুণেৰে বিভূষিতা এগৰাকী অত্যন্ত সহজ-সৰল, মানৱ দৰদী, নিষ্ঠাবান, সত্যবাদী, আধ্যাত্মিকভাৱ পৰায়না, উদাৰ, ধৰ্মীয় বিদ্বেষ-হীনতা, সুদক্ষ গৃহিণী, স্বামী-ভক্তা, সন্তান বৎসল,

কৰ্তব্য-পৰায়না আদি চৰিত্ৰৰ আছিল। তেওঁৰ জীৱনৰ এনে সুগুণবোৰৰ প্ৰভাৱ তেখেতৰ দ্বাৰা ৰচিত গল্পসমূহতো প্ৰতিফলিত হোৱা দেখা যায়।

তেখেত অত্যন্ত সহজ সৰল হোৱা হেতুকে তেওঁৰ গল্পবোৰতো জটিলতা দেখা নাযায়। অত্যন্ত সহজ সৰল কাহিনী বিন্যাসেই তেখেতৰ গল্পৰ এক বৈশিষ্ট। তেখেতৰ *'ফুলীবাই, নামদিম কল্যানী, এধানি প্ৰাণৰ ব্যথা, সম্বল, মনে মনে'*আদি গল্পবোৰ অতি সহজ সৰল মানুহৰ জীৱন গাথাৰ ওপৰত ৰচিত। কাহিনীবোৰো সৰল। *'ফুলীবাই'* গল্পত ফুলী নামৰ মহিলা গৰাকী নিজৰ সংসাৰৰ জোৰা-টাপলি মাৰিবলৈ লোকৰ ঘৰত কাম বন কৰি মানুহৰ বিভিন্ন অপবাদ, সমালোচনা মুৰ পাতি লৈও সৰলতাৰে জীৱন যাপন কৰিছে। *'নাম দিম কল্যানী'* গল্পটোত ৰজতৰ বাবে এগৰাকী সহজ সৰল কইনাৰ সন্ধান কৰিছে। *'এধানি প্ৰাণৰ ব্যথা'*গল্পটোত দৰিদ্ৰ জীৱনৰ এখন জীয়া ছবি উদ্ভাষিত হৈছে। *'সম্বল'*গল্পত পৰক আপোন কৰি লোৱা সৰল মনৰ প্ৰতিচ্ছৱি প্ৰতিফলিত হৈছে। *'মনে মনে'* গল্পত সন্তান বৎসল পিতৃ-মাতৃৰ একোখন সৰল হৃদয়ৰ উমান পোৱা যায়।

স্নেহদেৱী এগৰাকী মানৱ দৰদী লেখিকা আছিল। তেখেতৰ মানৱ দৰদী গুণ কিছুমান গল্পত প্ৰতিফলিত হৈছে। তেখেতৰ *'মৰম'*নামৰ গল্পটো মানবীয় সম্পৰ্কৰ এক সৰল কাহিনী বৰ্ণিত হৈছে। যমুনা আৰু নীৰা নামৰ দুগৰাকী বান্ধবীৰ জৰিয়তে মানবীয় প্ৰেমৰ প্ৰমূল্যক দেখুওৱা হৈছে। *'অপ্ৰত্যাশিত'* গল্পটোও সত্য নামৰ চৰিত্ৰটোক মানৱ দৰদী ৰূপত উপস্থাপন কৰা হৈছে। সত্যই নিজৰ সংসাৰকো কাতি কৰি থৈ ৰজনী নামৰ এগৰাকী মানসিক ৰোগীক ৰখীয়া হিচাপ থাকিবলৈ আগবাঢ়ি আহিছে। *'ফেহুজালি'*গল্পৰ মাৰুতি বৰদলৈ এগৰাকী মানৱ দৰদী ব্যক্তি। অজিতাৰ মাকৰ প্ৰথম স্বামীৰ অত্যাচাৰৰ পৰা উদ্ধাৰ কৰি পিতৃত্বৰ সকলো মৰমেৰে অজিতাক ডাঙৰ দীঘল কৰিছে। তেখেতৰ *'যাদু'* গল্পৰ কৰিম, *'সম্বল'* গল্পৰ পণ্ডিত আৰু পণ্ডিতনী, *'লক্ষ্যভ্ৰষ্ট'* গল্পৰ কৰুণ আদি চৰিত্ৰবোৰক মানৱ দৰদী চৰিত্ৰ হিচাপে অংকন কৰা হৈছে।

স্নেহদেৱী এগৰাকী সত্যবাদী আৰু নিষ্ঠাবান প্ৰকৃতিৰ লোক আছিল। তেখেতৰ এনে চাৰিত্ৰিক বৈশিষ্ট কিছুমান গল্পত প্ৰতিফলিত হোৱা দেখা যায়। *'নিৰ্ভেজাল'* গল্পটোত মোহিনী চৰিত্ৰটোক নিষ্ঠাবান আৰু সত্যবাদী চৰিত্ৰ হিচাপে অংকন কৰা হৈছে। পৰক আপোন কৰি নিষ্ঠা সহকাৰে কাম কৰি গৈছে। সকলোকে নিজৰ কৰিবলৈ চেষ্টা কৰিছে। *'এধানি প্ৰাণৰ ব্যথা'* গল্পত পূৰ্ণা, ককাক, আইতাক নিষ্ঠাবান লোক। সকলোৰে নিজৰ জীৱন সংগ্ৰামত ব্যস্ত। *'সন্ধিয়াৰ কুৰলীত'* গল্পৰ ভদ্ৰা এগৰাকী সৎ, নিষ্ঠাবান মহিলা। *'মধুৰ বেদনা'*গল্পৰ বাসুদেউ, হীৰমাই, আৰু চৰণ সৎ আৰু নিষ্ঠাবান প্ৰকৃতিৰ লোক। *'এটি বিশেষ ৰাতি'*গল্পৰ ডা. আশালতা চৰিত্ৰটো এক সৎ, নিষ্ঠাবান প্ৰকৃতিৰ লগতে

সামাজিক কু-সংস্কাৰৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰা এটা চৰিত্ৰ।

স্নেহদেৱী এগৰাকী আধ্যাত্মিক ভাৱ-পৰায়না আৰু উদাৰ প্ৰকৃতিৰ মহিলা আছিল। তেখেতে নিজেই সদায় চাকি, ধূপ-ধূণা দিয়াৰ লগতে ধৰ্ম গ্ৰন্থ পাঠ কৰি শান্তি লভিছিল। ঘৰতো বিভিন্ন পূজা পাৰ্বন কৰিছিল। তেওঁৰ সমসাময়িক সমাজখন কিছুমান পৰিমানে ৰক্ষনশীল আছিল যদিও তেওঁৰ উদাৰতা এক বিশেষ চাৰিত্ৰিক বৈশিষ্ট আছিল। তেখেতৰ চৰিত্ৰৰ এনে দিশবোৰো কিছুমান গল্পত প্ৰতিফলিত হোৱা দেখা যায়। *'ফুলীবাই'* গল্পটোত নামঘৰৰ বৰ্ণনা কৰি সেই নামঘৰত চুবুৰীৰ মহিলা সকলে নাম, কীৰ্ত্তন গোৱা দৃশ্যৰ অৱতাৰণা কৰিছে। *'আত্মসাৎ'* গল্পটোত গৰ্ভৱতী নাৰীয়ে পালন কৰিব লগা বিভিন্ন আধ্যাত্মিক নিয়ম নীতিৰ বৰ্ণনা আছে। *'সহযোগ'* গল্পটোত নাতি ল'ৰাটোৰ অসুখ ভাল কৰাৰ বাবে নামঘৰত শৰাই দিয়াৰে পৰা আদি কৰি বিভিন্ন আধ্যাত্মিক নিয়ম নীতিৰ বৰ্ণনা আছে। *'শুভযাত্ৰা'* গল্পটোত গধুলি তুলসীৰ তলত চাকি জ্বলাই নিজৰ মঙ্গল কামনা কৰাৰ বৰ্ণনা আছে। *'জোৱাৰৰ পিছত'* গল্পত দূৰ্গা পূজাৰ বৰ্ণনা আছে। *'ভাবি চিন্তি চাইহে'* গল্পত নামঘৰৰ সবাহৰ বৰ্ণনা আছে।

পৰম ধাৰ্মিক হোৱা বাবে তেওঁৰ উদাৰতাও বিৰাজমান। দুখীয়া নিচলা বুলি তেওঁ কাকো ঘীন কৰা নাছিল। তেওঁৰ ওচৰলৈ সহায় বিচাৰি অহা সকলোকে যি পাৰে সহায় কৰি ভাল পাইছিল। এনে উদাৰতাৰ বাবেই তেওঁৰ প্ৰায়বোৰ গল্পৰ চৰিত্ৰই দুখীয়া, ভিকহু, পেটে-ভাতে খোৱা লোকৰ জীৱন কাহিনী বোৰক জীৱন্ত ৰূপত চিত্ৰিত কৰিবলৈ সক্ষম হৈছে।

ধৰ্মীয় বিদ্বেষ হীনতা স্নেহদেৱীৰ চৰিত্ৰৰ আন এক বৈশিষ্ট। *'কৃষ্ণা দ্বিতীয়াৰ জোনাক'* গল্প পুথিৰ *'যাদু'* নামৰ গল্পটোৱেই এই কথাৰ প্ৰমাণ দিয়ে। গল্পটোত কৰিম নামৰ মুছলমান লোক জনৰ হিন্দুৰ লগত এক আত্মিক সম্পৰ্ক আছে। এনে সাম্প্ৰদায়িক একতাৰ সুদক্ষ চিত্ৰই তেওঁক মহীয়ান কৰি তুলিছে। স্নেহদেৱী এগৰাকী গৃহিনীও আছিল। পৰিয়ালৰ সকলোৰে যত্ন তেওঁ নিজ হাতেই লৈছিল। তেওঁৰ চৰিত্ৰৰ এই দিশটোৰ প্ৰভাবো কিছুমান গল্পত পৰা দেখা যায়। *'যাদু'* গল্পৰ লুকু চৰিত্ৰটি এগৰাকী সুগৃহিনীৰ প্ৰতীক। *'সম্বল'* গল্পটিৰ পণ্ডিতনী এগৰাকী সুগৃহিনী। *'অপ্ৰত্যাশিত'* গল্পৰ সত্য এগৰাকী সু-গৃহিনী। *'কৃষ্ণা দ্বিতীয়াৰ জোনাক'* গল্পৰ শুক্লা এগৰাকী সু-গৃহনী। *'তেওঁলোকৰ মন'* গল্পৰ শৰ্মানী চৰিত্ৰটি সু-গৃহিনীৰ প্ৰতীক। এনে বিভিন্ন চৰিত্ৰৰ মাজেদি নিজৰ দুখ কষ্টকো আওকান কৰি পৰিয়ালটোক সুখ শান্তিত ৰখাৰ বাবে অহৰহ চেষ্টা কৰা দেখা যায়। নাৰী চৰিত্ৰ সমূহৰ বেছিভাগকেই সু-গৃহিনী ৰূপত অংকন কৰিবলৈ চেষ্টা কৰা দেখা যায়।

স্বামী ভক্তা আৰু সন্তান বৎসলা তেওঁৰ চৰিত্ৰৰ আন এক বৈশিষ্ট্য। তেখেতৰ বিভিন্ন গল্পত

ইয়াৰ প্ৰভাৱ দেখা যায়। *'সম্বল'* গল্পৰ পণ্ডিতনী এগৰাকী স্বামী ভক্তা আৰু সন্তান বৎসলা মহিলা। *'ফুলীবাই'* গল্পত ফুলী এগৰাকী স্বামী ভক্তা আৰু সন্তান বৎসলা মহিলা। স্বামীৰ অসমৰ্থতাৰ বাবে নিজেই ঘৰখনৰ দ্বায়িত্ব ল'ব লগীয়া হৈছে। *'কৃষ্ণা দ্বিতীয়াৰ জোনাক'* গল্পত শুক্লা এগৰাকী স্বামী ভক্তা নাৰী। *'বৰমা'* গল্পৰ মৃণালিনী এগৰাকী স্বামী ভক্তা নাৰী হিচাবে অংকিত হৈছে। *'মনে মনে'* গল্পৰ যমুনা চৰিত্ৰটিৰ মাজেৰে স্বামীৰ দৰিদ্ৰ জীৱনৰ সহযোগী আৰু সন্তান বৎসলা এগৰাকী মাতৃ হিচাবে প্ৰতিপন্ন কৰা হৈছে। সন্তানৰ স্বাস্থ্য ৰক্ষাৰ বাবে লোকৰ কুকুৰাৰ পৰা কনীৰ আশাৰে সদায় মনে মনে বিচাৰি ফুৰিছে। গল্পটোত এগৰাকী মাতৃৰ সন্তানৰ প্ৰতি থকা অকৃত্ৰিম স্নেহ প্ৰকাশ পাইছে।

স্নেহদেৱীৰ এক বিশেষ গুণ আছিল কৰ্তব্য-পৰায়নতা। 'কৰ্মই ধৰ্ম বা কৰ্মই মানুহৰ জীৱন' এই কথা সাৰোগত কৰিয়েই মৃত্যৰ আগ মুহুৰ্তলৈকে তেওঁ কাম কৰি গৈছিল। তেওঁৰ এই বিশেষ গুণৰ প্ৰভাবো কিছুমান গল্পত পৰিছে। *'অন্তৰালত'* গল্পত যুতী হতঁৰ পৰিয়ালটোৱে ঘৰখনৰ আৰ্থিক জোৰা মাৰিবলৈ সকলোৱে কামত ব্যস্ত হৈ পৰিছে। *'এধানি প্ৰাণৰ ব্যথা'* গল্পত পূৰ্ণাৰ ককাক-আইতাকে ঘৰ খনৰ বাবে কৰ্ম ব্যস্ত হ'ব লগা হৈছে। *'বিপত্তি'* গল্পত গোলকছাদৰ কৰ্তব্য পৰায়নতা লক্ষ্য কৰিব পাৰি। *'মৰম'* গল্পত যমুনা আৰু নীৰা ঘৰখনৰ সুখশান্তিৰ বাবে কৰ্তব্য কৰিবলগীয়া হৈছে। *'বিভিন্ন বেদনা'* গল্পত অলকাই বৈধব্য জীৱনৰ দুখ কষ্ট পাহৰিবলৈ কৰ্ম ব্যস্ত হৈছে। *'সন্ধিয়াৰ কুৱলী'*ত গল্পটোতে ভদ্ৰাই স্বামী অবিহনে জীয়াই থাকিবলৈ কৰ্ম ব্যস্ত হৈছে।

স্নেহদেৱীৰ নিজৰ জীৱনৰ বিভিন্ন চাৰিত্ৰিক দিশ সমূহ বিভিন্ন গল্পৰ মাজেদি প্ৰতিফলিত কৰি গল্পবোৰক এক জীৱন্ত ৰূপ দিয়া দেখা যায়। মানুহৰ সুখ-দুখ, আৱেগ-অনুভূতি, প্ৰেম-বিৰহ, হাঁহি-কান্দোন আদিৰ সুন্দৰ চিত্ৰ তেওঁৰ ৰচনাৰাজিত বিদ্যমান। জীৱন যুদ্ধৰ বিভিন্ন বাধা-বিঘিনীয়েও স্নেহ দেৱীৰ কলমক স্তব্ধ কৰিব পৰা নাছিল। জীৱনৰ এই ঘাত-প্ৰতিঘাতে তেওঁক বহু কথাই শিকাইছে। দুখ নাথাকিলে যি সুখৰ অনুভৱ নহয়; হাঁহি-কান্দোন, পোৱা-নোপোৱাৰ আনন্দ-বেদনা আদিৰ অনুভৱেই তেওঁৰ মনোবল দৃঢ় কৰি তুলিব পাৰিছে। জীৱন সম্পৰ্কে গভীৰ দাৰ্শনিক তত্ত্বটো তেওঁৰ জ্ঞাত। জীৱন থাকিলে মৃত্যুও থাকিব। ভাৰতীয় বেদান্ত দৰ্শনৰ এই সত্য উপলব্ধিক মানিয়েই তেওঁ ৰচনাৰাজিক সৃষ্টি কৰিছে। তেখেতৰ মতে পূজা সেৱাতকৈ মানৱ ধৰ্মহে প্ৰকৃত ধৰ্ম। সুস্থ জীৱনবোধ, অভিজ্ঞতাৰ মূল্যবোধ আৰু মহাজাগতিক অনুভূতিৰ প্ৰতিধবনিয়ে তেওঁৰ লিখনিক প্ৰকৃত সাহিত্যৰ মৰ্য্যাদা প্ৰদান কৰিছে।

জীৱনজোৰা সাহিত্যকৰ্মত জড়িত থাকি নিজৰ জীৱনৰ লগতে অসমীয়া জাতীয় জীৱনকো চহকী কৰাৰ চেষ্টা কৰা এইগৰাকী নাৰী লেখিকাই অসমীয়া ভাষা সাহিত্যৰ সমৃদ্ধিত বিশেষ অৰিহণা যোগাইছে। তেওঁৰ কৰ্মপ্ৰেৰণাই নতুন নতুন লেখক-লেখিকাসকলকো উদ্বুদ্ধ কৰিব পাৰিছে। অল্পশিক্ষিতা হৈও বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেদি সাহিত্য সাধনা জীৱনৰ এক ব্ৰত কৰি লৈ অসমীয়া সাহিত্যলৈ যি মহান অৱদান দি গ'ল তাৰ বাবে সদায় তেখেত চিৰস্মৰণীয় হৈ থাকিব। তেখেতৰ জীৱন আৰু কৰ্ম সকলোৰে বাবে শিক্ষা আৰু অনুপ্ৰেৰণাৰ উৎস হৈ থাকিব।

উক্ত আলোচনাৰ পৰা দেখা যায় যে ৰামধেনু যুগৰ বাস্তৱবাদী দৃষ্টিভংগীৰ বাবে স্নেহদেৱীৰ জীৱনৰ বাস্তৱসন্মত ঘটনাসমূহো তেখেতে ৰচনা কৰা গল্পসমূহত স্থান লাভ কৰি জীৱন্ত ৰূপ ধাৰণ কৰিছে। বাস্তৱ কাহিনীক গল্পত স্থান দিয়া গল্পকাৰৰ এক বিশেষ শৈলী। স্নেহ দেৱীয়ে এই বিশেষ শৈলীক গ্ৰহণ কৰি বাস্তৱ জগতৰ মানুহৰ পাৰিবাৰিক কাহিনীবোৰক নিজৰ গল্পত স্থান দিছে। তেখেতৰ জীৱন দৰ্শনত অকল নিজৰ জীৱনৰেই নহয় বাস্তৱ জগতখনৰো প্ৰভাৱ পৰিছে।

**প্ৰসঙ্গটীকা ঃ**

১. হীৰেন দাস ঃ অসমীয়া চুটিগল্প,বিবৰ্তন আৰু বিশ্লেষণ, পৃ. ১৫৭

২. সত্যেন্দ্ৰনাথ শৰ্মা ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃ. ৪১৩

৩. অন্নদা শইকীয়া (সম্পা.) ঃ স্নেহ দেৱী ৰচনা সম্ভাৰ, পৃ. (ছ)

৪. উল্লিখিত গ্ৰন্থ, পৃ. ৫৬৪

৫. উল্লিখিত গ্ৰন্থ, পৃ. ৫৫৭

৬. উল্লিখিত গ্ৰন্থ, পৃ. ২

৭. উল্লিখিত গ্ৰন্থ, পৃ. ১৬২

৮. উল্লিখিত গ্ৰন্থ, পৃ. ২৮৮

৯. উল্লিখিত গ্ৰন্থ, পৃ. ২৮৮

১০. উল্লিখিত গ্ৰন্থ, পৃ. সূচীপত্ৰ

১১. প্ৰফুল্ল কুমাৰ নাথ ঃ তুলনামূলক ভাৰতীয় সাহিত্য, পৃ. ১৯৫

১২. লীলাৱতী শইকীয়া বৰা ঃ ভাষা সাহিত্য বিচিত্ৰা, পৃ. ১৩৫

১৩. প্ৰহ্লাদ কুমাৰ বৰুৱা ঃ অসমীয়া চুটিগল্প অধ্যয়ন, পৃ. ৫১

১৪. লীলাৱতী শইকীয়া বৰা ঃ ভাষা সাহিত্য বিচিত্ৰা, পৃ. ১৩৫

১৫. হেমন্ত কুমাৰ শৰ্মা ঃ অসমীয়া সাহিত্যত দৃষ্টিপাত, পৃ. ২৭২

১৬. লীলাৱতী শইকীয়া বৰা ঃ ভাষা সাহিত্য বিচিত্ৰা, পৃ. ১৩৬
১৭. হেমন্ত কুমাৰ শৰ্মা ঃ অসমীয়া সাহিত্যত দৃষ্টিপাত, পৃ. ২৭৩
১৮. উল্লিখিত গ্ৰন্থ, পৃ. ২৭৩
১৯. লীলাৱতী শইকীয়া বৰা ঃ ভাষা সাহিত্য বিচিত্ৰা, পৃ. ১৩৭
২০. লক্ষ্মীকান্ত মহন্ত ঃ অসমীয়া সাহিত্য অধ্যয়ন, পৃ. ৪৮০
২১. হেমন্ত কুমাৰ শৰ্মা ঃ অসমীয়া সাহিত্যত দৃষ্টিপাত,পৃ. ২৭৩
২২. লীলাৱতী শইকীয়া বৰা ঃ ভাষা সাহিত্য বিচিত্ৰা, পৃ. ১৩৭
২৩. হেমন্ত কুমাৰ শৰ্মা ঃ অসমীয়া সাহিত্যত দৃষ্টিপাত, পৃ. ২৭৪
২৪. লীলাৱতী শইকীয়া বৰা ঃ ভাষা সাহিত্য বিচিত্ৰা, পৃ. ১৩৮
২৫. উল্লিখিত গ্ৰন্থ, পৃ. ১৩৮
২৬. লক্ষ্মীকান্ত মহন্ত ঃ অসমীয়া সাহিত্য অধ্যয়ন, পৃ. ৪৮১
২৭. অৰবিন্দ ৰাজখোৱা ঃ অসমীয়া চুটিগল্পৰ গতি-প্ৰকৃতি, পৃ. ২৩
২৮. হেমন্ত কুমাৰ শৰ্মা ঃ অসমীয়া সাহিত্যত দৃষ্টিপাত, পৃ. ২৭৫
২৯. লীলাৱতী শইকীয়া বৰা ঃ ভাষা সাহিত্য বিচিত্ৰা,পৃ. ১৩৯
৩০. উল্লিখিত গ্ৰন্থ, পৃ. ১৩৯
৩১. হেমন্ত কুমাৰ শৰ্মা ঃ অসমীয়া সাহিত্যত দৃষ্টিপাত, পৃ. ২৭৭
৩২. লীলাৱতী শইকীয়া বৰা ঃ ভাষা সাহিত্য বিচিত্ৰা, পৃ. ১৪০
৩৩. হেমন্ত কুমাৰ শৰ্মা ঃ অসমীয়া সাহিত্যত দৃষ্টিপাত, পৃ. ২৭৮
৩৪. অৰবিন্দ ৰাজখোৱা ঃ অসমীয়া চুটিগল্পৰ গতি-প্ৰকৃতি, পৃ. ৮১
৩৫. লীলাৱতী শইকীয়া বৰা ঃ ভাষা সাহিত্য বিচিত্ৰা, পৃ. ১৪১
৩৬. উল্লিখিত গ্ৰন্থ, পৃ. ১৪১
৩৭. অৰবিন্দ ৰাজখোৱা ঃ অসমীয়া চুটিগল্পৰ গতি-প্ৰকৃতি,পৃ. ৮৪
৩৮. লীলাৱতী শইকীয়া বৰা ঃ ভাষা সাহিত্য বিচিত্ৰা, চন্দ্ৰ প্ৰকাশ, পৃ. ১৪২
৩৯. প্ৰহ্লাদ কুমাৰ বৰুৱা ঃ অসমীয়া চুটিগল্পৰ অধ্যয়ন, পৃ. ৪৯৭
৪০. হোমেন বৰগোহাঞি ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী, (ষষ্ঠ খণ্ড), পৃ. ২৮১
৪১. হোমেন বৰগোহাঞি ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী, (২য় খণ্ড), পৃ. ২২
৪২. চন্দ্ৰপ্ৰসাদ শইকীয়া (সম্পা.) ঃ গৰীয়সী, চতুৰ্থ বছৰ ১২ শ সংখ্যা, ছেপ্টেম্বৰ, ১৯৯৭, পৃ. ৬৪
৪৩. বিনীতা বৰা দেৱচৌধুৰী ঃ সাহিত্য চিন্তা, ২০১৬, পৃ. ২০
৪৪. অন্নদা শইকীয়া (সম্পা.) ঃ স্নেহ দেৱী ৰচনা সম্ভাৰ, পৃ. (ছ)

# দ্বিতীয় অধ্যায়